**অভিযুক্ত ১৪ বিষয়াৰ জামিন লাভ**

ই-সংবাদ, ৮ নৱেম্বৰঃ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত বক্ৰ পথেৰে চাকৰি লোৱাৰ অভিযোগ ৩ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, NOVEMBER 09, 2024 ■ শনিবাৰ, ২৩ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৬ Guwahati, Assam ।। মূল্যঃ এটকা

## মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বিষয়াক দিলে বিশ্বনাথৰ জিলা আয়ুক্তৰ দায়িত্ব

# হিমন্তক লাগে চামগুৰি, বিহালী

**ই-সংবাদ, ৮ নৱেম্বৰঃ** চামগুৰি, বিহালী দখল কৰিবলৈ চৰকাৰী বাহিনীয়ে কূট-কৌশল আৰু গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। ইয়াৰ অংশ হিচাপে এবাৰ বদলি হৈ যোৱা বিশ্বনাথ জিলাৰ আয়ুক্ত মুনীন্দ্ৰ নাথ নাটেক পুনৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। এইজন জিলা আয়ুক্ত পূৰ্বতে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু পৰৱৰ্তী সময়ত বিশ্বনাথ জিলাৰ উপায়ুক্ত হিচাপে নিযুক্তি লাভ কৰিছিল। বিশ্বনাথ জিলাৰ পৰা বদলি হোৱাৰ এমাহ পিছতে পুনৰ বিশ্বনাথলৈ ওভতাই অনা হৈছে। এইজন জিলা আয়ুক্ত মুখ্যমন্ত্ৰী শেষাংশ ২ পৃষ্ঠাত

### নগাঁৱৰ পৰা ৫১ আৰক্ষীক একেদিনাই বদলিৰ নিৰ্দেশ



## চিএম সুখুৱে ছিঙৰা নাপালে, গৰম চিমলা!

**চিমলা, ৮ নৱেম্বৰঃ** হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুৰ চিঙৰা বিতৰ্কই শেহতীয়াকৈ গৰম কৰি ৰাখিছে সামাজিক মাধ্যম আৰু ৰাজনৈতিক শেষাংশ ৬ পৃষ্ঠাত

## বিজেপিতো চলি আছে পৰিয়ালবাদ! ফটো দেখুৱাই ক'লে দেৱব্ৰত শইকীয়াই



**ই-সংবাদ, ৮ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰীক ৰাজনীতিক সমালোচনা কৰি থকাৰ সময়তে এইবাৰ বিজেপিৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ শেষাংশ ৫ পৃষ্ঠাত

## গহপুৰত পুত্ৰক হত্যা কৰি চিপ ল'লে পিতৃ মৃগাংকই!

**ই-সংবাদ, ৮ নৱেম্বৰঃ** নিজ পুত্ৰক হত্যা কৰি পিতৃয়ে আত্মহত্যা কৰাৰ দৰে মৰ্মান্তিক ঘটনা সংঘটিত হৈছে এইখন অসমত। প্ৰথমে শীতল মস্তিষ্কৰে নিজৰে ৮ বছৰীয়া পুত্ৰক হত্যাৰ পাছতে নিজেই আত্মঘাতী শেষাংশ ৩ পৃষ্ঠাত

## সভাৰ সূৰ্যকান্তক লাগে আৰু বহুত নাম

**ই-সংবাদ, মাজুলী, ৮ নৱেম্বৰঃ** সাহিত্য সভাৰ সভাপতিৰ পেনেল প্ৰস্তুতৰ এক বিতৰ্কই যোৱা কেইবাটাও দিন ৰাজ্যৰ বৌদ্ধিক মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে মাজুলীত আজি অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই সাংবাদিকৰ আগত বিষয়টোক লৈ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সাংবাদিকে বিষয়টো সন্দৰ্ভত সভাপতিগৰাকীৰ পৰা সবিশেষ জানিব বিচৰাত তেওঁ দায়সৰা মন্তব্যৰে কয় যে কোনো মানুহৰ নাম শেষাংশ ৬ পৃষ্ঠাত

## শিৱসাগৰত হ'ব আছুৰ সাধাৰণ সভা

**ই-সংবাদ, ৮ নৱেম্বৰঃ** সদৌ অসম ছাত্ৰ সন্থাৰ তদানীন্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা যৌন কেলেংকাৰীত অভিযুক্ত হৈ জামিনত মুকলি আকাশৰ শেষাংশ ৫ পৃষ্ঠাত

## চামগুৰিত আকৌ সংঘাত, হতাহত ৭

**ই-সংবাদ, পুৰণিগুদাম, ৮ নৱেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমুচাপি আহিছে সিমানেই নিৰ্বাচনী হিংসা ভয়ংকৰ ৰূপ ধাৰণ শেষাংশ ২ পৃষ্ঠাত



মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত ৰাজ্যপাল আচাৰ্য

## প্ৰেমলাল গঞ্জুক কিয় হৰুৱাইছিল? ৰিপুণ বৰাৰ প্ৰশ্ন

**ই-সংবাদ, ৮ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ বিৰুদ্ধে চাহ জনগোষ্ঠী, আদিবাসী, গোৰ্খাসকলক অপমান কৰি অভিযোগ উত্থাপন কৰি শেষাংশ ৬ পৃষ্ঠাত

## অন্তিম দিনা আৱেগিক চন্দ্ৰচূড়

**নতুন দিল্লী, ৮ নৱেম্বৰঃ** ১০ নৱেম্বৰত অন্ত পৰিব দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ কাৰ্যকালৰ। অৱশ্যে শনিবাৰ শেষাংশ ৩ পৃষ্ঠাত

## মাতৃভাষাই হৈছে মূল, মাজুলীত ৰাজ্যপাল

**ই-সংবাদ, মাজুলী, ৮ নৱেম্বৰঃ** আপুনি যিমান পঢ়া শুনা কৰি আগুৱাই নাযাওঁক কিয় নিজৰ মাতৃ ভাষাক কেতিয়াও পাহৰি যাব নালাগে। আপুনি আপোনাৰ মাতৃক যি ভাষাই চৰণ চুৱে, আপুনি কথা পাতে, অভিবাদন কৰে সেই ভাষাক কেতিয়াও পাহৰি নাযাব। আজি মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয় খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তক লাগে চামগুৰি, বিহালী

ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ হিচাপে পৰিচিত বুলি সৰ্বজনবিদিত। বিহালী বিধানসভা সমষ্টিৰ ভোটাৰক ৭ নৱেম্বৰত বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনী আচৰণবিধি ভংগ কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠী আৰু গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ মাজতো সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ অভিযোগ উঠিছে। বিজেপি দলৰ প্ৰাৰ্থী দিগন্ত ঘাটোনাৰ এতিয়া মুখ্যমন্ত্ৰীৰ বাবে গুৰুত্বহীন এক বিষয়। মুখ্যমন্ত্ৰীৰ সন্মানৰ প্ৰশ্ন হ'ল গৌৰৱ গগৈয়ে দীৰ্ঘদিন ধৰি প্ৰচাৰ চলোৱাৰ পিছত বিহালী সমষ্টিটোত যদি বিজেপিৰ হাতৰ পৰা ওলাই যায় তেতিয়াহ'লে মুখ্যমন্ত্ৰীৰ বাবে ই এক চূড়ান্ত ব্যৰ্থতাৰ কাহিনী হৈ ৰ'ব। ৭ নৱেম্বৰত মুখ্যমন্ত্ৰী শৰ্মাই নিশাৰ ভাগত সাংসদ ৰঞ্জিৎ দত্ত আৰু কেবাজনো মন্ত্ৰী-বিধায়কক লগত লৈ জিনজিয়াত ৰোডশ্ব' কৰাৰ পিছত এক গোপন বৈঠকত মিলিত হয়। যিকোনো প্ৰকাৰে বিহালী সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীক পৰাজিত কৰাৰ ৰণকৌশল প্ৰস্তুত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সতীৰ্থ মন্ত্ৰী, বিধায়কক নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে বিশ্বনাথ চাৰিআলিত বাহৰ পাতি বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক জয়ী কৰাবলৈ অবৈধ লেনদেন অব্যাহত ৰখা বুলিও বিজেপিৰ একাংশ নেতা-কৰ্মীয়ে অভিযোগ কৰিছে। ধনৰ বলত এতিয়া বিহালীত বিজেপি নেতা-কৰ্মীয়ে নিতৌ নতুন বাইক আৰু নতুন গাড়ী ক্ৰয় কৰি নিৰ্বাচনী যুঁজত আগভাগ লৈছে। ইফালে, শেহতীয়াকৈ চামগুৰিত আৰম্ভ হৈছে এক নতুন ৰাজনৈতিক যুঁজ। চামগুৰি সমষ্টিৰ অন্তৰ্গত কেবাখনো থানাৰ পৰা পৰিদৰ্শক, উপ-পৰিদৰ্শক আৰু হেড কনিষ্টবল পৰ্যায়ৰ প্ৰায় ৫১ গৰাকী আৰক্ষীক একেটা নিৰ্দেশতে বদলি কৰা হৈছে। এই আৰক্ষী বিষয়াসকলে শান্তিপূৰ্ণ আৰু নিৰপেক্ষ নিৰ্বাচনত জড়িত নথকাৰ অভিযোগত নে আন কিবা গোপন ষড়যন্ত্ৰৰ বাবে ততাতৈয়াকৈ বদলি কৰা হৈছে সেই বিষয়ে প্ৰশ্ন উত্থাপন হৈছে। এই তালিকাত প্ৰথম নামটো হৈছে নৰেশ কুমাৰ ৰয়। উপ-পৰিদৰ্শক নৰেশ কুমাৰ ৰয়ৰ লগতে বুধিৰাম দাস, অনু মেছ, সম্প্ৰীতি হাজৰিকা, জ্যোতিকা বৰা, গৰিমা পেগু, প্ৰিয়াংশী নাথ, প্ৰণৰিকা বৰি, লালবাবু গোৱালা, সুমন্ত কুমাৰ সিনহা, ঠাকুৰজ্যোতি বৰা, মাধুৰ্য মেধি, অচ্যুত কৃষ্ণ ফুকন, অপূৰ্ব বৰা, বিবেক বৰ্মন, বিমল বসুমতাৰী, চন্দ্ৰকান্ত ফুকন, ফিৰোজ দলে, গোপাল তালুকদাৰ, মিণ্টু দাস, মণিৰাম কলিতা, প্ৰশান্ত কোঁৱৰ, ৰবীন চন্দ্ৰ ফুকন, ৰাজু দে', ৰঞ্জিত গগৈ, ৰাজা ইৰশ্বাদ, অমৃত খাউণ্ড, অজয় দাস, জয়ন্ত বৰা অন্যতম। এইসকল আৰক্ষী বিষয়াক হঠাৎ কিয় বদলি কৰা হৈছে সেই বিষয়ে কোনো সূত্ৰই বিতংভাৱে জনোৱা নাই যদিও অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে নিৰ্বাচন আয়োগক এক স্মাৰকপত্ৰৰ যোগেৰে জিলাখনৰ আৰক্ষী অধীক্ষকক বদলি কৰিবলৈ দাবী উত্থাপন কৰিছিল। আৰক্ষী অধীক্ষকজনক শাস্তিমূলক বদলি কৰাৰ পৰিৱৰ্তে উপ-পৰিদৰ্শক পৰ্যায়ৰ বিষয়াসকলক কিয় লক্ষ্য কৰি ল'লে সেয়া ৰহস্যজনক। চামগুৰি সমষ্টিত ইতিমধ্যে ব্যাপক হাৰত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক ৰাজনীতি কৰা হৈছে আৰু হিন্দু অধ্যুষিত এলেকাসমূহৰ ভোট যাতে বিজেপিমুখী কৰিব পাৰি তাৰ বাবে সকলোপ্ৰকাৰে চেষ্টা অব্যাহত ৰখা হৈছে। দিপ্লুৰঞ্জন শৰ্মাক জয়ী কৰাবৰ বাবে নগাঁৱৰ মন্ত্ৰী বিমল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, জিতু গোস্বামী প্ৰমুখ্যে একাংশক দায়িত্ব অৰ্পণ কৰা হৈছে। মুছলমান এলেকাৰ ভোট বিভাজন কৰাৰ মুখ্য লক্ষ্য কৰিয়েই এই এলেকাসমূহত প্ৰচণ্ড উত্তেজনা বিয়পাই দিয়া হৈছে। বাতৰি লিখি থকা সময়লৈ চামগুৰিৰ শ'লমাৰীত কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকৰ মাজত প্ৰচণ্ড মাৰপিট হয় আৰু ৮ জন লোক গুৰুতৰভাৱে আহত হয়। মুছলমান অধ্যুষিত এলেকাত কংগ্ৰেছ কৰ্মীৰ ওপৰত আক্ৰমণ চলোৱা তিনিজন বিজেপি ইছলামধৰ্মী সম্প্ৰদায়ৰ লোক গুৰুতৰভাৱে আহত হৈছে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ ইছলামধৰ্মী ৪জন লোক আঘাতপ্ৰাপ্ত হয়। হিন্দু আৰু মুছলমানৰ সংঘাত এতিয়া চামগুৰিত অধিক স্পষ্ট হৈ পৰিছে। কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে যাতে হিন্দু সমৰ্থকৰ মাজত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যাব নোৱাৰে তাৰবাবে ইছলামধৰ্মী লোকৰ মাজত ব্যস্ত ৰখাৰ কৌশলপূৰ্ণ পৰিকল্পনা কৰা হৈছে। এই পৰিকল্পনাৰ অংশ হিচাপে ৰকিবুল হুছেইনৰ দুৰ্গখ্যাত চামগুৰিৰ মুছলমান এলেকাসমূহত এতিয়া কংগ্ৰেছ কৰ্মীৰ ওপৰত নিজৰ ধৰ্মীয় সংখ্যালঘুৰে আন একাংশ লোকে দৈনিক আক্ৰমণ অব্যাহত ৰাখিছে। ভোটৰ সমীকৰণত চামগুৰিত শেষ মুহূৰ্তত তাঞ্জিল হুছেইন জয়ী হোৱাৰ সম্ভাৱনাই অধিক যদিও মুছলমান ভোটাৰৰ মাজত বিভাজন কৰিবৰ বাবে বিভিন্ন শক্তি শাসকীয় দলৰ হৈ সক্ৰিয় হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত আকৌ সংঘাত, হতাহত ৭

কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা কালি চামগুৰিৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহি নিৰ্বাচনী হিংসা নকৰি ভোটৰ জৰিয়তে কংগ্ৰেছক প্ৰত্যুত্তৰ দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনাই যদিও আজি পুনৰ চামগুৰিৰ শ'লমাৰীত কংগ্ৰেছ কৰ্মী আৰু বিজেপি কৰ্মীৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চামগুৰি সমষ্টিৰ অন্তৰ্গত শ'লমাৰী অঞ্চলত আজি সন্ধ্যা কংগ্ৰেছ কৰ্মী আৰু বিজেপি কৰ্মীৰ মাজত সংঘটিত হোৱা মাৰপিটৰ ঘটনাত কংগ্ৰেছ কৰ্মী আৰু বিজেপি কৰ্মী সাতজন লোক আহত হয়। শ'লমাৰী বজাৰৰ সমীপত থকা বিজেপিৰ নিৰ্বাচনী কাৰ্যালয়ৰ সন্মুখেদি কংগ্ৰেছৰ এখন সভাৰ পৰা অহা একাংশ কংগ্ৰেছ কৰ্মী গৈ থকা অৱস্থাত দুই পক্ষৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়।পৰৱৰ্তী সময়ত দুই পক্ষৰ আক্ৰমণ প্ৰত্যাক্ৰমণত আহত সাতজন লোকক ততাতৈয়াকৈ কাৰৈমাৰী হস্পিতালত ভৰ্তি কৰোৱা হয়। আহত সাতজনৰ ভিতৰত চাৰিজন বিজেপি সমৰ্থক, তিনিগৰাকী কংগ্ৰেছ সমৰ্থক বুলি জানিব পৰা গৈছে।আহত হোৱা লোকসকল ক্ৰমে কংগ্ৰেছ কৰ্মী কামালউদ্দিন, আলাল উদ্দিন, আব্দুল হাশ্বিম বিজেপি কৰ্মী আবু হানিফ, আবু তাহেৰ, দিলুৱাৰ হুছেইন, আব্দুৰ ৰহমান বুলি জানিব পৰা গৈছে। আনহাতে, উক্ত ঘটনা সংঘটিত হোৱাৰ খবৰ পাই কাৰৈমাৰী এফ আই ইউত উপস্থিত হয় বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী। কাৰৈমাৰী চিকিৎসালয়ত বিধায়ক জিতু গোস্বামী উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত কয় যে, ৰকিবুল হুছেইনে গুণ্ডামী বন্ধ  কৰক নহ'লে মৌন প্ৰতিবাদ হ'ব। বিগত সময়ত বিজেপিৰ এগৰাকী কৰ্মীৰ মৃত্যু হৈছে আজি আকৌ চাৰিজন কৰ্মীক আহত কৰিছে এইসমূহ হিংসা ৰকিবুল হুছেইনে বন্ধ নকৰিলে বিজেপি নেতা কৰ্মীয়ে মুখত ক'লা কাপোৰ বান্ধি ৰাইজৰ ওচৰত ভোট বিছাৰি যাম বুলি মন্তব্য কৰে।আনহাতে, কংগ্ৰেছ কৰ্মীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা বিজেপিৰ চাৰি কৰ্মীক উন্নত চিকিৎসাৰ বাবে বিধায়ক গৰাকীয়ে গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে, যোৱা নিশা সমষ্টিটোৰ তিনিটাকৈ কংগ্ৰেছৰ অস্থায়ী কাৰ্যালয় দুৰ্বৃত্তই ভাঙি লণ্ডভণ্ড কৰা কাৰ্যই ৰাজনৈতিক হিংসা অধিক বৃদ্ধি কৰাৰ লগতে পৰিস্থিতি অধিক অৱনতি হোৱাৰ পৰিলক্ষিত হয়। সমষ্টিটোৰ শ'লমাৰী,মাগুৰমাৰী আৰু চামগুৰি তিনিআলিৰ সমীপৰ তিনিটাকৈ কংগ্ৰেছী কাৰ্যালয় নিশা আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি কোনো দুৰ্বৃত্তই ভাঙি পেলোৱাৰ লগতে আচবাব সমূহো জ্বলাই দিয়ে বুলি কংগ্ৰেছ কৰ্মীয়ে অভিযোগ কৰিছে। এনেদৰে এতিয়া অভিযোগ, প্ৰতিভিযোগৰ আৰু সংঘাতৰ ৰাজনীতিৰে উত্তপ্ত হৈ পৰিছে চামগুৰিৰ আকাশ-বতাহ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গহপুৰত পুত্ৰক হত্যা কৰি চিপ ল'লে

জন্মদাতা পিতৃ। এই ঘটনাৰ খবৰ ৰাষ্ট্ৰ হোৱাত ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এনে অমানৱীয় কাণ্ড সংঘটিত হৈছে বিশ্বনাথ জিলাৰ গহপুৰৰ সোলেঙীত। গহপুৰৰ সোলেঙীৰ মৃগাংক শইকীয়াই নিজৰে ৮ বছৰীয়া সন্তান ইমনক গাৰুৰে মুখত সোপা দি হত্যা কৰি পলায়ন কৰিছিল। যদিও পিছদিনা এটা পৰিয়ালৰ ছাদত মৃগাংক শইকীয়াৰ মৃতদেহ সন্দেহজনক অৱস্থাত উদ্ধাৰ হয়। মৃগাংক শইকীয়াই আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছে। জানিব পৰা মতে, গহপুৰৰ সোলেঙীৰ মৃগাংক শইকীয়াই জুৰুলা আৰ্থিক অৱস্থাৰ বাবে মানসিক অশান্তি আৰু হাতাশিত ভুগি আছিল। সময়ে সময়ে চিকিৎসা গ্ৰহণ কৰি থকাৰ লগতে দৰৱ সেৱন কৰি আহিছে। ইপিনে ৮ বছৰীয়া পুত্ৰ ইমন কোনো এক ৰোগত আক্ৰান্ত হৈ আছিল। শীঘ্ৰে অস্ত্ৰোপচাৰ কৰাৰ কথা আছিল। বৃহস্পতিবাৰে সন্ধিয়া মৃগাংক শইকীয়াৰ পত্নী সমীপৰ এঘৰলৈ ওলাই গৈছিল। ৰোগীয়া পুত্ৰ সন্তানটোৰ সৈতে ঘৰত আছিল মৃগাংক শইকীয়া। তেনে সময়তে পৰিকল্পনা অনুসৰি গাৰুৰে মুখত সোপা দি হত্যা কৰি সন্তানটোক বিছনাত শোৱাই থোৱাৰ দৰে থয়। তেনে সময়তে মৃগাংক শইকীয়াৰ ঘৰলৈ আহিছিল বায়েক আৰু ভিনিয়েক। বায়েক আৰু ভিনিয়েকে ভতিজাক তথা মৃগাংকৰ সন্তানটোৰ খবৰ ল'বলৈ আহিছিল যদিও শুই থকাৰ বাবে বিছনাৰ ওচৰলৈ যোৱাত বাধা দি কোনো দিনা নকৰাৰ দৰে আচৰণ কৰিছিল। কিছু সময় মৃগাংক শইকীয়াৰ সৈতে বায়েক-ভিনিয়েক কথা পাতি থকাৰ সময়তে ঘৰলৈ আহে পত্নী। পত্নীয়ে বায়েক-ভিনিয়েকক মাতষাৰ দি চিধাই সন্তাটোৰে শুই থকা বিছনাৰ কাষলৈ যায়। সন্তানটোক গা লিৰিকি-বিদাৰি দি আলস কৰিব খোজে যদিও শ্বাস-প্ৰশ্বাস লোৱা অনুভৱ কৰা নাছিল। লগে লগে পেটত, বুকুত হাত দিয়াত সন্তানটোৱে শ্বাস-প্ৰশ্বাস লোৱা নাছিল আৰু গাটো শেতা পৰিছিল। পত্নীয়ে চিঞৰ-বাখৰ কৰাত মৃগাংকৰ সৈতে কথা পাতি থকা ভিনিয়েকে দৌৰমাৰি কোঠালৈ আহে যদিও লগে লগে কোঠাটোৰ পৰা ওলাই এন্ধাৰৰ ফালে দৌৰ মাৰে মৃগাংক। ভিনিয়েক আৰু পত্নীয়ে সন্তানটোক চিকিৎসালয়লৈ নিয়ে যদিও সন্তনটোক চিকিৎসকে মৃত ঘোষণা কৰে। বৃহস্পতিবাৰে সন্ধিয়া পুত্ৰক হত্যা কৰি স্কুটী লৈ ঘৰৰ পৰা পলায়ন কৰা মৃগাংক শইকীয়াৰ মৃতদেহ শুকুৰবাৰে পুৱা গহপুৰৰ বড়িগাঁৱত উদ্ধাৰ হয়। নন্দ বিশ্বাস নামৰ লোকজনৰ ঘৰৰ ছাঁদত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয় মৃতদেহ। মৃগাংক শইকীয়াৰ ৮ বছৰীয়া ইমনৰ কাণৰ অস্ত্ৰোপচাৰ কৰাৰ কথা আছিল। ৰোগৰ বাবে অসুস্থ ইমনে পিতৃৰ সৈতে শুই আছিল। একাংশ লোকে উল্লেখ কৰা মতে, কেইবাহ ধৰি হাতাশাত আছিল মৃগাংক শইকীয়া। পিতৃৰ পৰা লোৱা টকাৰে আৰম্ভ কৰা ব্যৱসায়ত ব্যাপক লোকচানৰ সন্মুখীন হৈছে। মৃগাংকই বিভিন্ন সময়ত সফল হ'ব নোৱাৰাত মনস্তাপ কৰিছিল। আৰু জীয়াই থাকিব মন নাই বুলিও কৈ আহিছিল। পৰিয়াল তথা পত্নীয়ে চিকিৎসকৰ ওচৰলৈ নি চিকিৎসা কৰাইছিল। চিকিৎসকে দিয়া দৰৱ সেৱন কৰি আহিছিল। তেনে সময়তে পুত্ৰ সন্তানটোক হত্যা কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এজন পিতৃয়ে নিজ সন্তানটোক হত্যা কেনেকৈ কৰিব পাৰিলে সেই কথা মানি ল'ব পৰা নাই ৰাইজে। পিতৃয়ে নিজ হাতেৰে শেষ কৰি থৈ গ'ল এটা পৰিয়াল। পত্নী, বৃদ্ধ মাতৃ-পিতৃক এৰি মৃগাংকই নিঃশেষ কৰি থৈ গ'ল পৰিয়ালটোক। আনহাতে, ঘটনাৰ অন্য কোনো ৰহস্য থাকিবও পাৰে। আৰক্ষীয়ে ঘটনাৰ লৈ এটা গোচৰ ৰুজু কৰি তদন্ত কৰি থকা বুলি জানিব পৰা গৈছে। এই লোমহৰ্ষক আৰু হৃদয় বিদাৰক ঘটনাই ৰাজ্যজুৰি সকলোকে জোকাৰি গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অন্তিম দিনা আৱেগিক চন্দ্ৰচূড়

আৰু দেওবাৰ হোৱাৰ বাবে শুকুৰবাৰে অৱসৰৰ পূৰ্বে অন্তিমবাৰৰ বাবে উচ্চতম ন্যায়ালয়ৰ গোচৰৰ শুনানি গ্ৰহণ কৰে মুখ্য ন্যায়াধীশগৰাকীয়ে। কাৰ্যভাৰৰ অন্তিম দিনটোত আদালত কক্ষত বহি কিছু আবেগিক হৈ পৰা দেখা যায় মুখ্য ন্যায়াধীশ চন্দ্ৰচুড়ক। তেওঁ কয়, "কাইলৈ (শনিবাৰ)ৰ পৰা মই ন্যায় দিব নোৱাৰিম। কিন্তু মই সন্তুষ্ট!" উল্লেখ্য যে, ২০২২ চনৰ ৯ নৱেম্বৰত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল ডি ৱাই চন্দ্ৰচুড়ে। ইয়াৰ পূৰ্বে তেওঁ ২০১৬ চনত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু মুখ্য ন্যায়াধীশ হিচাপে বিগত আঠ বছৰীয়া কাৰ্য্যকালত বহু গোচৰৰ শুনানি আৰু কেইবাটাও গুৰুত্বপূৰ্ণ ৰায়দান কৰিছে ন্যায়াধীশ চন্দ্ৰচূড়ে। এগৰাকী ন্যায়াধীশ হিচাপে সুদীৰ্ঘ পৰিক্ৰমা সামৰি অহা ১০ নৱেম্বৰত মুখ্য ন্যায়াধীশ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিব ন্যায়াধীশ চন্দ্ৰচুড়ে। কিন্তু ১০ নৱেম্বৰৰ দিনটো দেওবাৰ হোৱাৰ বাবে শুকুৰবাৰে শেষবাৰৰ বাবে ন্যায়ালয়ৰ কক্ষত এক গোচৰৰ শুনানি গ্ৰহণ কৰে মুখ্য ন্যায়াধীশগৰাকীয়ে। প্ৰণিধানযোগ্য যে, ন্যায়াধীশ চন্দ্ৰচূড়ৰ অৱসৰৰ পিছত দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব ন্যায়াধীশ সঞ্জীৱ খান্নাই। শুকুৰবাৰে আদালতত বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ন্যায়াধীশ সঞ্জীৱ খান্নাৰ দৰে এগৰাকী যোগ্য ব্যক্তিৰ হাতত দেশৰ ন্যায়পালিকা সম্পূৰ্ণ নিৰাপদ বুলি মন্তব্য কৰে। লগতে মুখ্য ন্যায়াধীশগৰাকীয়ে কয়, "আদালতত যদি মই কাৰোবাক আঘাত দিছো, তেন্তে মোক ক্ষমা কৰি দিব।" মুখ্য ন্যায়াধীশগৰাকীৰ অৱসৰৰ পূৰ্বে অনুষ্ঠিত হোৱা বিদায়ী অনুষ্ঠানত শুকুৰবাৰে উপস্থিত থাকে উচ্চতম ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশৰ লগতে অধিবক্তাসকল। এই অনুষ্ঠানত উপস্থিত থাকি দেশৰ ভৱিষ্যত মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই কয়, "ন্যায়াধীশ চন্দ্ৰচূড়ৰ আদালত কক্ষত উপস্থিত থকাৰ সৌভাগ্য মোৰ কেতিয়াও নহ'ল। কিন্তু তেওঁৰ কেৰিয়াৰত যি কৰিছে, সেয়া সঁচাকৈয়ে অতুলনীয়।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিযুক্ত ১৪ বিষয়াৰ জামিন লাভ

উত্থাপিত ১৪ অভিযুক্তক জামিন প্ৰদান কৰিছে বিশেষ ন্যায়াধীশৰ আদালতে। নন্দিনী কাকতি, ঋতুৰাজ দলে, নীলাঞ্জল গগৈ, দীপাংকৰ দত্ত লহকৰ, ধীৰাজ কুমাৰ জৈন, স্বৰূপ ভট্টাচাৰ্য, বিকাশ শৰ্মা, চক্ৰধৰ ডেকা, বিচিত্ৰ গোপাল নাথ, জগদীশ বন্ধা, ফাৰুক আহমেদ, অনলজ্যোতি দাস, ধ্ৰুৱজ্যোতি হাতীবৰুৱা আৰু হিতেশ মজুমদাৰক জামিন প্ৰদান কৰিছে বিশেষ ন্যায়াধীশৰ আদালতে। বিশেষ ন্যায়াধীশৰ আদালতত সোঁশৰীৰে উপস্থিত থকা ১৪ জন বিষয়াক বিশেষ ন্যায়াধীশৰ আদালতে সকাহ দিছে। ৰাকেশ পালৰ আমোলত জালিয়াতিৰে নিযুক্তি লাভ কৰি ৰাজ্য প্ৰশাসনৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি আছিল এইসকল বিষয়াই। ৯ বছৰ চাকৰি কৰা এইসকল আছিল ২০১৫ বেটচত উত্তীৰ্ণ ৰাজপত্ৰিত এচিএছ, এপিএছ। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ তদন্তৰ প্ৰতিবেদনত নাম সন্নিবিষ্ট হৈছিল ৩৫ ৰাজপত্ৰিত বিষয়াৰ নাম। ইয়াৰে ২৯ ৰাজপত্ৰিত বিষয়াক জাননী জাৰি কৰা হৈছিল। ৰাকেশ পালৰ আমোলত বক্ৰ পথেৰে চাকৰি লোৱা ৰাজপত্ৰিত বিষয়াই ২০২৩ চনৰ নৱেম্বৰ মাহত এছআইটিৰ সন্মুখত হাজিৰ হ'ব লগা হৈছিল। বিশেষ তদন্ত সমিতিয়ে অতিৰিক্ত আৰক্ষী অধীক্ষক ঐশ্বৰ্য জীৱন বৰুৱা, ছাহজাহান সৰকাৰৰসহ কেইবাজনক গ্ৰেপ্তাৰ কৰা হৈছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি কে শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত এছআইটিয়ে ৰাজপত্ৰিত বিষয়াসকলৰ উত্তৰবহী আৰু নথি-পত্ৰ পৰীক্ষা কৰাত ভয়ংকৰ ত্ৰুটি ধৰা পৰিছিল। এচিএছ ধ্ৰুৱজ্যোতি হাতীবৰুৱা, ত্ৰিদিব ৰয়, আকাশী দুৱৰা, বিক্ৰমাদিত্য বৰা, ধীৰাজ কুমাৰ জৈন, এপিএছ দীপাংকৰ দত্ত লহকৰ, নৱনীতা শৰ্মা, কল্যাণ কুমাৰ দাস, ফাৰুক আহমেদ, কুলপ্ৰদীপ ভট্টাচাৰ্য, নীলাঞ্জল গগৈ, নিতুমণি দাস, পুস্কল গগৈ, সুকন্যা দাস, কৰ্মী টিমুংপি, অমিতৰাজ চৌধুৰী, অসীমা কলিতা, ছাহজাহান সৰকাৰ, অনলজ্যোতি দাস, ঋতুৰাজ দলে, জগদীশ ব্ৰহ্ম, হিতেশ মজুমদাৰ, ঐশ্বৰ্য জীৱন বৰুৱা, সৌৰভ কুমাৰ ভট্টাচাৰ্য, নন্দিনী কাকতি, নন্দিতা হাজৰিকাকে ধৰি বহুতক জেৰা কৰা হৈছিল। এইসকল এচিএছ, এপিএছৰ ভিতৰতে জাননী লাভৰ পাছতে ছুটীৰ দৰ্খাস্ত দি বহুতে কাৰ্যালয়ৰ পৰা অন্তৰ্ধান হৈ আত্মগোপন কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাতৃভাষাই হৈছে মূল, মাজুলীত ৰাজ্যপাল

এনেদৰে কয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত আৰু কয় যে-আপুনি আপোনাৰ কৃতিত্বৰ বাবে মাক অভিবাদন জনাব যাতে মায়েও আপোনাৰ কৃতিত্বৰ বাবে ভাগিদাৰ হ'ব পাৰে। তেতিয়াহে আপোনালোকৰ শিক্ষাৰ সাৰ্থক হ'ব বুলি উল্লেখ কৰে। লগতে কয় আপোনালোকে যি শিক্ষা লাভ কৰিছে সেই শিক্ষা সঠিক ভাবে প্ৰয়োগ কৰিলেহে সঠিক পথ লাভ কৰিব বুলি উল্লেখ কৰে। আমি আমাৰ শিক্ষা পদ্ধতিৰ জড়িয়তে নিজৰ বিশ্ববিদ্যালয়ৰ নাম উজ্জ্বল কৰাৰ লগতে গাঁও সমাজ, নিজৰ ৰাজ্যক, দেশক আগুৱাই নিব পাৰিব বুলি উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ভাষণতআৰু কয়-আজি মোৰো অসমীয়া ভাষাতেই ভাষণ দিবলৈ মন গৈছে। পূৰ্বে চিকিমত থাকোঁতে তাৰ ভাষা শিকিছোঁ আৰু এতিয়া ইয়ালৈ আহিছোঁ ইয়াৰ ভাষাও শিকিম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰ ভাষাৰ ব্যৱহাৰৰ লগতে ৰাজ্যভাষাসমূহৰ বিকাশতো সমানে গুৰুত্ব দিবলৈ কৈ আহিছে। কিন্তু আজি মই ৰাষ্ট্ৰভাষাতেই ভাষণ দিছোঁ যদিও অসমীয়া ভাষালৈ দিয়া শেহতীয়া স্বীকৃতিত আনন্দিত বুলি তেওঁ উল্লেখ কৰে। ইফালে ৰাজ্যপালগৰাকীয়ে আৰু কয় আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়লৈ আহি মোৰ এনেকুৱা লগা নাই যে এয়া প্ৰথম দীক্ষান্ত সমাৰোহ। দেশৰ বহু ঠাইত বিশ্ববিদ্যালয়ৰ আচাৰ্য হিচাপে অংশগ্ৰহণ কৰিছোঁ যদিও আজিৰ অভিজ্ঞতা মোৰ অনন্য বুলি তেওঁ উল্লেখ কৰি বিশ্ববিদ্যালয়খনৰ ডিগ্ৰীধাৰীসকলৰ গৌৰৱৰ এই দিনটোত সকলো ডিগ্ৰীধাৰীলৈ তেওঁ অভিনন্দন জ্ঞাপন কৰে। তেওঁ ডিগ্ৰীধাৰীসকলে যি কষ্ট স্বীকাৰ কৰিছিল তাৰেই সন্মান পাইছে বুলি উল্লেখ কৰে। মহান মনীষীসকলে কোৱাৰ দৰে যি শিক্ষাত প্ৰকৃত মনুষ্য হোৱাৰ শিক্ষা লাভ কৰা নাযায় সেই শিক্ষাৰ কোনো লাভ নাই বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে বিশ্ববিদ্যালয়খনে সন্মানীয় ডক্টৰেট দিয়া বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰাক অভিনন্দন জনায়। ইফালে পুৱা ১০.৩০ বজাত মাজুলীৰ গড়মূৰৰ কৰ্ট ফিল্ডৰ অস্থায়ী হেলিপেডৰ বায়ু সেনাৰ এখন বিশেষ হেলিকপ্টাৰ যোগে অৱতৰণ কৰি ৰাজ্যপালগৰাকীয়ে কিছু সময় মাজুলী আৱৰ্ত্ত ভৱনত জিৰণি লৈ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত উপস্থিত হৈয়েই ৰাজ্যপাল গৰাকীয়ে বিশ্ববিদ্যালয়ৰ চৌহদত এটি গছপুলি ৰোপণ কৰি পেৰেডৰ ধ্বনিৰে শৈক্ষিক শোভাযাত্ৰাৰে মঞ্চত প্ৰৱেশ কৰে। ইয়াৰ পিছতেই ৰাষ্ট্ৰীয় সংগীতৰ পিছতেই বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ শীৰ্ষ গীত পৰিৱেশন কৰে। ইয়াৰ পিছতেই বিশ্ববিদ্যালয় খনৰ আচাৰ্য তথা ৰাজ্যপাল আচাৰ্যই আনুষ্ঠানিকভাৱে বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহ আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা বুলি ঘোষণা কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই দিয়া আদৰণি ভাষণত আজিৰ দিনটো বিশ্ববিদ্যালয়ৰ বাবে গৌৰৱৰ দিন, ঐতিহাসিক দিন বুলি উল্লেখ কৰে। প্ৰতিষ্ঠা কালৰ পৰা বিশ্ববিদ্যালয় খনে ঘাত-প্ৰতিঘাট নেওচি বৰ্তমান স্নাতক, স্নাতকোত্তৰ তথা বিভিন্ন চাৰ্টিফিকেট পাঠ্যক্ৰমৰ লগতে গৱেষণা পাঠ্যক্ৰমেৰে বিশ্ববিদ্যালয় খনে নিৰ্দিষ্ট গতি লাভ কৰা বুলি তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগু তথা ড° কন্দৰ্প কুমাৰ ডেকাক বিশেষভাৱে ধন্যবাদ জনোৱাৰ লগতে প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট দিয়া বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰাক অভিনন্দন জনায়। ইয়াৰ পিছতেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই ১৮২ গৰাকী ডিগ্ৰীধাৰীক সমূহীয়া শপত বাক্য পাঠ কৰায়। ইয়াৰ পিছতেই বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰাক আনুষ্ঠানিকভাৱেক ৰাজ্যপালে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। ইয়াৰ পিছতেই ক্ৰমে ২০২২, ২০২৩ আৰু ২০২৪ বৰ্ষৰ অসমীয়া, ইতিহাস, পৰিৱেশ্য কলা বিষয়ৰ স্নাতকোত্তৰ, এবছৰীয়া স্নাতকোত্তৰ, বিভিন্ন চাৰ্টিফিকেট পাঠ্যক্ৰম সাং কৰা বিভিন্ন বিষয়ত স্নাতকোত্তৰ আৰু অন্যান্য ডিপ্লʼমাৰ বাবে অৰ্হতা আহৰণ কৰা ১৮২ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীধাৰী সকলৰ আটাইকে ৰাজ্যপালে আনুষ্ঠানিকভাৱে প্ৰমাণ পত্ৰ প্ৰদান কৰে। ইফালে, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ ৰশ্মিৰেখা হাজৰিকা, অসমীয়াৰ পূৰবী ৰাজখোৱা, অসমীয়াৰ গীতাশ্ৰী ৰাজখোৱা, ইতিহাস বিভাগৰ বিতোপন বৰা আৰু ইতিহাস বিভাগৰে বিকিৰণ শইকীয়াক বিশ্ববিদ্যালয় খনৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰি শ্ৰেষ্ঠত্বৰ অধিকাৰী হোৱাৰ বাবে সোণৰ পদক প্ৰদান কৰে। ইয়াৰ পিছতেই অনুষ্ঠানত সন্মানীয় বক্তা হিচাপে ভাষণ প্ৰদান কৰি শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই অসমীয়া ভাষাৰ ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভৰ এই গৌৰৱময় মুহূৰ্ত্ততে অসমীয়াতে লিখিত ভাষণ প্ৰদান কৰে। তেওঁ মাজুলী কেবল আমাৰ দেশৰ সৰ্ববৃহৎ নদী দ্বীপ আৰু পৃথিৱীৰ অন্যতম বসতি প্ৰধান বৃহৎ দ্বীপেই নহয়, মাজুলী মধ্যযুগীয় নব-বৈষ্ণৱ ভক্তি আন্দোলনৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ মিলনভূমি; মাজুলী অসমীয়া সংস্কৃতিৰ বৰ ভঁড়ালস্বৰূপ ছয়ত্ৰিশখনকৈ বৈষ্ণৱ সত্ৰৰে এক পবিত্ৰ পূণ্যভূমি বুলি উল্লেখ কৰে। তেওঁ আৰু কয় এনে এখন ঠাইত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ কাৰণে অসম চৰকাৰ আমাৰ সকলোৰে ধন্যবাদৰ পাত্ৰ। নানা কাৰণত বিশ্ববিদ্যালয়খনে জন্ম লাভ কৰি থিয় দিবলৈ অলপ সময় লৈছিল যদিও বৰ্তমানে বিশ্ববিদ্যালয়খন দিনে দিনে ঠন ধৰি উঠা পৰিলক্ষিত হোৱাত আশাৰ সঞ্চাৰ হৈছে যে বিশ্ববিদ্যালয়খনৰ ইঙ্গিত লক্ষ্য অনুসৰি ই এখন পূৰ্ণাংগ বহুমুখী বিশ্ববিদ্যালয়ত পৰিণত হ'বলৈ বৰ বেছি দিন নালাগিব। এনে আশাব্যঞ্জক অগ্ৰগতিৰ কাৰণে অসম চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু মাজুলী বিশ্ববিদ্যালয়ৰ প্ৰশাসনকে ধৰি কৰ্তৃপক্ষৰ লগত জড়িত আটাইলৈ ধন্যবাদ সহ তেওঁ শুভেচ্ছা জনায়। তথ্যৰ ভাণ্ডাৰ অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা আৰু তথ্য সংগ্ৰহৰ কৌশলসমূহো সঘনাই উন্নত ৰূপত পৰিৱৰ্তিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষিত লোকে নিজৰ জ্ঞানৰ ভাণ্ডাৰ আৰু প্ৰয়োজনীয় কৌশলসমূহ নিয়মিতভাৱে উন্নত কৰি নগ'লে এটা সময়ত তেওঁ অপ্ৰাসংগিক হৈ পৰিব বুলি উল্লেখ কৰি শিক্ষিত লোকসকলে জীৱনজুৰি নতুন কথা আৰু কৌশলবোৰ শিকি যাবই লাগিব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি সূৰ্য্য কান্ত হাজৰিকা, সব্যসাচী মহন্ত, শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, মাজুলীৰ গড়মূৰ সৰু সত্ৰৰ অধিকাৰ হৰিদেৱ গোস্বামীকে ধৰি মাজুলীৰ একাংশ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপকৰ লগতে সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপক সকল উপস্থিত থাকে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বৰাই অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতেই ৰাজ্যপালে আনুষ্ঠানিকভাৱে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহৰ সামৰণি ঘোষণা কৰে।

■ মাজুলীৰ চামগুৰি সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ দৰ্শন ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ : দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীলৈ অহা ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি মাজুলী কমলাবাৰী ঘাটত উপস্থিত হৈ এখন বিশেষ ফেৰীৰে ব্ৰহ্মপুত্ৰ খনন প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। ৰাজ্যপাল গৰাকীয়ে পৰ্যবেক্ষণৰ অন্তত খনন কাৰ্য্য সন্দৰ্ভত বিভাগীয় বিষয়া অভিযন্তাৰে আলোচনা কৰি জনসাধাৰণে ভোগ কৰি সমস্যা অন্ত পেলোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছতেই ৰাজ্যপাল গৰাকীয়ে মহিলা সৱলীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ অধীনত প্ৰায় ২.৭০ লাখ টকাৰ ৭৬৪ গৰাকী শিপিনী জড়িত থকা বয়ন শিল্পৰ বেঙেনাআটীস্থিত ৰেংগাম উদ্যোগিক মহিলা সমবায় সমিতিৰ শিপিনী সকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পিছতেই তেওঁ নতুন চামগুৰি সত্ৰত উপস্থিত হৈ মুখাশিল্প দৰ্শন কৰি উত্তৰ কমলাবাৰী সত্ৰত উপস্থিত হৈ সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। ইয়াৰ পিছতেই ৰাজ্যপাল গৰাকীয়ে মাজুলীৰ জিলা আয়ুক্তৰ সভাকক্ষত উপস্থিত হৈ মাজুলীৰ বিভিন্ন বিভাগৰ মুৰব্বী সকলৰ পৰা মাজুলীৰ উন্নয়নমূলক আচনিৰ খতিয়ান লোৱাৰ লগতে ব্ৰহ্মপুত্ৰ বৰ্ডৰ বিষয়া অভিযন্তাৰ সৈতেও আন এখন বৈঠকত অংশগ্ৰহণ কৰে। নিশাটো মাজুলীতেই কটাই ৰাজ্যপালগৰাকীয়ে কাইলৈ পুৱাই কৰ্ট ফিল্ডৰ অস্থায়ী হেলিপেডৰ পৰা গুৱাহাটীলৈ বুলি হেলিকপ্টাৰযোগে উৰা মাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিতো চলি আছে পৰিয়ালবাদ!

দস্তাবেজ ৰাজহুৱা কৰিছে কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। হাতত শতাধিক বিজেপিৰ নেতাৰ ফটো সংলগ্ন লৈ বিজেপিৰ পৰিয়ালবাদৰ উদাহৰণ দাঙি ধৰি বিজেপিক প্ৰত্যুত্তৰ প্ৰদান কৰিছে। জয় শ্বাহ, বিজেপি নেতা মানেকা গান্ধী, পুত্ৰ বৰুণ গান্ধী, পীয়ুষ গোৱেল, জ্যোতিৰাদিত্য সিন্ধিয়া, পুনম মহাজন, পংকজা মুণ্ডে, দেৱেন্দ্ৰ ফাড়ণবিছ, কিৰেণ ৰিজিজু, লালজী টণ্ডন, পংকজ সিং দুকুৰি বিজেপি নেতাৰ নাম আৰু ফটো উল্লেখ কৰিছে। যিসকলৰ পিতৃ বিজেপিৰ নেতা আছিল। পিতৃ নেতা হোৱাৰ সুবাদতে বৰ্তমান ক্ৰিকেট বৰ্ডৰ অধ্যক্ষ, কেন্দ্ৰীয় মন্ত্ৰী, মন্ত্ৰী, বিধায়ক তথা বিভিন্ন পদবী দখল কৰি আছে। ফটো ৰাৱ কৰি দেৱব্ৰত শইকীয়াই কংগ্ৰেছৰ বিৰুদ্ধে অনা পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ উত্তৰ দিয়ে। দেৱব্ৰত শইকীয়াই বিজেপিক উত্তৰ দি কয় যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বৰ্তমান বিজেপিৰ সাংসদ পীয়ুষ গোৱেল বিজেপিৰ কোষাধ্যক্ষ প্ৰয়াত বেদ প্ৰকাশ গোৱেলৰ পুত্ৰ। হিমাচল প্ৰদেশৰ নেতা তথা সাংসদ অনুৰাগ ঠাকুৰ হিমাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰেম কুমাৰ ধুমলৰ পুত্ৰ। মুম্বাই নৰ্থ চেণ্ট্ৰেলৰ সাংসদ পুনম মহাজনে পিতৃ প্ৰয়াত বিজেপি নেতা প্ৰমোদ মহাজনৰ উত্তৰাধিকাৰী। প্ৰয়াত বিজেপি নেতা গোপীনাথ মুণ্ডেৰ কন্যা পংকজা মুণ্ডে মহাৰাষ্ট্ৰৰ বিজেপি চৰকাৰৰ এগৰাকী মন্ত্ৰী। মহাৰাষ্ট্ৰৰ উপ-খ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়ণবীছ বিজেপিৰ প্ৰয়াত নেতা গংগাধৰ ফাড়ণবীছৰ পুত্ৰ। কেন্দ্ৰীয় মন্ত্ৰী কিৰণ ৰিজিজু বিজেপি নেতা ৰিনচিন খাৰুৰ পুত্ৰ। ৰাজনাথ সিঙৰ পুত্ৰ পংকজ সিং উত্তৰ প্ৰদেশৰ নয়ডাৰ বিধায়ক। সাংসদ লালজী টণ্ডনৰ পুত্ৰ আসুতোষ লক্ষ্ণৌ পূবৰ বিধায়ক। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ সমষ্টি নাজিৰাৰ নামো মুখত লৈ ব্লু ব্লাড পলিটিক্স চলি থকা বুলি কৈছিল। তাৰ পাছতে শুকুৰবাৰে শিলচৰৰ ইন্দিৰা ভৱনত সংবাদমেল অনুষ্ঠিত কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ পুত্ৰ দেৱব্ৰত শইকীয়াই কয় যে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক দোষাৰোপ কৰি হয়তো পাহৰি গৈছে যে বিজেপিত কমেও ৩০টা পৰিয়ালকেন্দ্ৰীক ৰাজনীতি কৰি আহিছে। পীয়ুষ গোৱেল, অনুৰাগ ঠাকুৰ আৰু জ্যোতিৰাদিত্য সিন্ধিয়াকে ধৰি ৩০ জন বিজেপি নেতাৰ তালিকা দেখুৱাই এইসকলে ৰাজনীতিত উত্তৰাধিকাৰী হৈ আছে বুলি কয়। হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ তিনিজন নেতাৰ কথা কৈছিল কিন্তু প্ৰায় ৩০ জন বিজেপি নেতাই পৰিয়ালকেন্দ্ৰীক ৰাজনীতি কৰি থকাৰ দাবী কৰে শইকীয়াই। শইকীয়াই কয় যে নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী বা বিজেপিৰ নেতাসকলে আস্ফালন কৰিছে কিয়? মুখ্যমন্ত্ৰীয়ে উপ-নিৰ্বাচনীত প্ৰচাৰ চলাই ভয়ৰ পৰিৱেশ সৃষ্টি কৰি আদৰ্শ আচৰণ বিধি উলংঘা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত উপ-নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ গৈ বিজেপিৰ ৯৯ শতাংশ বিধায়ক তথা নেতাৰ পিতৃ পৰিচয় কোনেও নাজানো বুলি দাবী কৰিছিল। বহু লোকে ব্লু ব্লাড, সোণৰ চামুচ লৈ জন্ম হোৱা লোক ৰাজনীতিৰ পথাৰখনত আছে দাবী কৰি চামগুৰি, নাজিৰা, যোৰহাট, বৰক্ষেত্ৰী গোটেই অসমখনতে কংগ্ৰেছে ব্লু ব্লাড পলিটিক্স কৰিছে বুলি কৈ বিজেপিত তেনে ৰাজনীতি নাই বুলি দাবী কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত হ'ব আছুৰ সাধাৰণ সভা

তলত থকাৰ সময়তে আছুৱে সাংগঠনিক মন্থন অব্যাহত ৰাখিছে। শংকৰজ্যোতি বৰুৱাই যৌন কেলেংকাৰী সংঘটিত কৰা বুলি অভিযোগ উত্থাপনৰ পিছৰে পৰা আছুৱে দ্বিতীয়খন কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰিছে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদস্থিত আছুৰ মুখ্য কাৰ্যালয়ত আছুৰ দ্বিতীয়খন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ৰাজ্যিক কাৰ্যনিৰ্বাহকত শংকৰজ্যোতি বৰুৱা কাণ্ডৰ তদন্তৰ বাবে গঠিত সমিতিয়ে প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদনত কি আছে সেই কথা অদ্যপি পোহৰলৈ অহা নাই। ইপিনে ভাৰপ্ৰাপ্ত সম্পাদকৰ পদত স্থায়ী সাধাৰণ সম্পাদক নিয়োগ কৰিব পাৰে বুলি আশা কৰা হৈছিল যদিও পৰৱৰ্তী সাধাৰণ সভাত স্থায়ী সাধাৰণ সম্পাদক নিযুক্তি দিয়াৰ সিদ্ধান্ত লয়। সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ পদত্যাগৰ পাছৰে পৰা পদ খালী হৈ পৰাত চাৰ্জুন হাঞ্চেক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব দিছিল। ইপিনে আজিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকে ২৭ আৰু ২৮ জানুৱাৰীত শিৱসাগৰত সাধাৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। শিৱসাগৰৰ সাধাৰণ সভাত ৰাজ্যৰ প্ৰতিনিধিয়ে স্থায়ী সাধাৰণ সম্পাদক নিযুক্তি দিব। আছুৰ সভাপতি উৎপল শৰ্মাই সংবাদমাধ্যমৰ সন্মুখত ৰাজ্যিক কাৰ্যনিৰ্বাহকত কেইবাটাও সিদ্ধান্ত লোৱাৰ ঘোষণা কৰিছে। অসম চুক্তিৰ প্ৰতিটো দফা কাৰ্যকৰী কৰাৰ দাবীত প্ৰতিবাদ কৰি যোৱাৰ সভাতে দাবী প্ৰস্তাৱ গ্ৰহণ কৰে। উৎপল শৰ্মাই শংকৰজ্যোতি বৰুৱা কাণ্ড সন্দৰ্ভত কয় যে সেই সময়ত শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বাবে পদৰ পৰা অব্যাহতি দিয়া হৈছিল। উজনি-নামনি বিতৰ্ক, সামাজিক মাধ্যমত ছাত্ৰ সন্থাৰ ভাৱমূৰ্তি বিনষ্ট কৰাৰ অপচেষ্টা কৰা কাৰ্যৰ বিৰুদ্ধে তদন্ত সমিতি গঠন কৰা হয়। আজি সমিতিয়ে প্ৰথম প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদনত বহু পৰামৰ্শ দিছে। তৃণমূল পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈ সাংগঠনিক সংস্কাৰৰ বাবে পৰামৰ্শ দিছে। একাংশ সদস্য ৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিছে। আনহাতে, আছুৱে মূল্যবৃদ্ধিৰ বিৰুদ্ধে বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লয়। ১১ নৱেম্বৰ আৰু ২০ নৱেম্বৰত প্ৰতিবাদ সাব্যস্ত কৰিব। ১১ নৱেম্বৰত প্ৰতিখন আঞ্চলিকে যোগান মন্ত্ৰী ৰণজিত দাসৰ পুত্তলিকা দাহ কৰিব। ২০ নৱেম্বৰত প্ৰতিখন জিলা সদৰত মূল্যবৃদ্ধি ৰোধৰ বাবে বিক্ষোভ প্ৰদৰ্শন কৰিব। ইপিনে ২৩ নৱেম্বৰৰ পৰা ৮দিনীয়াকৈ পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ পালন কৰিব আছুৱে। ২৩ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ সমূহ আঞ্চলিকে পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ন কৰিব। ৰং তুলিকাৰে ছবি অংকন, সজাগতা সভা, সজাগতা ৰেলী, বাটৰ নাট, চিত্ৰাংকন, আলোচনা চক্ৰ অনুষ্ঠিত কৰিব। ১০ ডিচেম্বৰত সদৌ গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বগুৱানত শ্বহীদ দিৱস পালন কৰিব সংগঠনটোৱে। ১৮ ডিচেম্বৰত সদৌ অসম ছাত্ৰ সন্থা, অসম উন্নতি সভা আৰু অসম সেনাই গুৱাহাটীত অম্বিকাগিৰী ৰায় চৌধুৰী বঁটা প্ৰদান কৰিব। প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰা হ'ব ২৭ ডিচেম্বৰত। ৬ আৰু ৭ জানুৱাৰীত ডিফুত আছুৰ উদ্যোগত অনুষ্ঠিত হৈ অহা নাছিৰ হুছেইন সোঁৱৰণী আন্তঃজিলা ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈকো আজিৰ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# খুমটাইৰ শাওঁতলী ঘাটত ধুমধামেৰে ষট পূজা সম্পন্ন

ই-সংবাদ, খুমটাই, ৮ নৱেম্বৰঃ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ এক অন্যতম ধৰ্মীয় পাৰ্বন হৈছে শ্ৰীশ্ৰী সূৰ্যষষ্ঠী পূজা। কাৰ্তিক অমাৱস্যাৰ পিছৰ শুক্লা ষষ্ঠীত এই সূৰ্যষষ্ঠী পূজা অনুষ্ঠিত কৰা হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সামান্তৰালকৈ গোলাঘাট জিলাৰ খুমটাইৰ ১ নং ভোলাগুৰি ধনশিৰি নদীৰ কাষত ষট্ পূজা পালন কৰা হৈছে। ওচৰ চুবুৰীয়া কেবাটাও অঞ্চল গৰঙা শাওঁতলীকে ধৰি বহু দূৰ দূৰণিৰ ৰাইজে পূজা থলীত আহি ভিৰ কৰা পৰিলক্ষিত হয়। নদীৰ পাৰত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ সমাগম দেখা গ'ল। ভক্তপ্ৰাণ ৰাইজে ধনশিৰি নদীত সূৰ্য দেৱতাক অৰ্ঘ্য প্ৰদান কৰি ফল-মূল নৈবেদ্য অৰ্চন কৰি নিজৰ লগতে পৰিয়ালৰ মংগলৰ অৰ্থে সেৱা লোৱা দেখা গ'ল। সন্ধিয়াৰ পৰাই সূৰ্যদেৱতাৰ বিধিগত আৰাধনাৰ বাবে ভক্তসকলে ফল-মূলৰ পাচি লৈ পদব্ৰজে নদীৰ ঘাটলৈ গৈ সূৰ্যদেৱতাক অৰ্পণ কৰা দেখা গ'ল। আকৰ্ষণীয় ছেলফি পইণ্ট সুসজ্জিত মণ্ডপে সকলোকে আকৰ্ষণ কৰা দেখা গ'ল। ষট্ পূজাৰ সমস্ত কাৰ্যসূচী সুকলমে অনুষ্ঠিত কৰাত সহায়-সহযোগিতা আগবঢ়োৱা বাবে উদযাপন সমিতিৰ সভাপতি লীলাকান্ত চাহ আৰু সম্পাদক বিশাল চাহে প্ৰশাসনৰ লগতে ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখ্য যে, এই পূজা চাবলৈ উক্ত অঞ্চলটোৰ লগতে দূৰ-দুৰণিৰ পৰাও বহু লোক সমবেত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰেমলাল গঞ্জুক কিয় হৰুৱাইছিল? ৰিপুণ

বিহালীৰ ৰাজনীতি গৰম হৈ উঠাত মুখ্যমন্ত্ৰীক উভতি ধৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই। আজি বিহালীত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীক ওলোটাই কেইবাটাও প্ৰশ্ন কৰে বৰাই। বৰগাং কংগ্ৰেছ কাৰ্যালয়ত সংবাদমেল পাতি ৰিপুণ বৰাই বিহালী উপ-নিৰ্বাচনত বিজেপি দলে চাহ জনগোষ্ঠী-আদিবাসী প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক প্ৰাৰ্থীত্ব দিছে আৰু চাহ জনগোষ্ঠীয় দিগন্ত ঘাটোৱাৰক হৰুৱাবলৈ সাংসদ গৌৰৱ গগৈয়ে এমাহ ধৰি বিহালীত কেম্প পাতি আছে বুলি সমালোচনা কৰিছিল। মুখ্যমন্ত্ৰীৰ এই মন্তব্যক ওভতি ধৰি ৰিপুণ বৰাই কয় যে বিজেপিৰ চাহ জনগোষ্ঠীৰ প্ৰতি যদি ইমানে দৰদ তেন্তে লোকসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী চাহ জনোগোষ্ঠীৰ প্ৰেমলাল গঞ্জু আছিল। তেন্তে প্ৰেমলাল গঞ্জুক হৰুৱাবলৈ কিয় বিজেপিয়ে সকলো শক্তি প্ৰয়োগ কৰিছিল। সেই সময়ত বিজেপি আৰু মুখ্যমন্ত্ৰীৰ চাহজনগোষ্ঠীৰ প্ৰতি দৰদ ক'ত গৈছিল বুলি প্ৰশ্ন কৰে বৰাই। পল্লৱলোচন দাসক টিকট কিয় নিদিলে বুলি প্ৰশ্ন কৰি ৰিপুন বৰাই আৰু কয় যে বিজেপি দলৰ পল্লৱলোচন দাসক লোকসভা নিৰ্বাচনত টিকট নিদিলে কিয়। ২০১৪ চনত বিজেপি দলে ঘোষণা কৰা চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকা দিয়া নাই কিয়। সাংসদ ৰঞ্জিত দত্তই চাহ জনগোষ্ঠীৰ লোকৰ দখলত থকা মাটি বলপূৰ্বক দখল দখল কৰি চাহ বাগিচা খুলিছে কিয় বুলি অভিযোগ আনে। আনহাতে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছে গোৰ্খাসকলক ডি-ভোটাৰ কৰা বুলি অনা অভিযোগৰ প্ৰত্যুত্তৰ দি ৰিপুণ বৰাই কয় যে এতিয়া যিটো অগপ দলৰ সৈতে বিজেপিয়ে চৰকাৰ চলাই আছে সেইটো অগপ দলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ দিনত গোৰ্খাসকলক ডি-ভোটাৰ কৰা হৈছিল। বিহালী বিজেপিয়ে গোৰ্খাক কিয় টিকট নিদিলে বুলি প্ৰশ্ন কৰি উপ-নিৰ্বাচনত বিজেপিয়ে গোৰ্খাক প্ৰাৰ্থিত্ব দিয়া নাই, কিন্তু ভোটৰ আশাত গোৰ্খাক দৰদ দেখুৱাইছে বুলি অভিযোগ কৰে বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সভাৰ সূৰ্যকান্তক লাগে আৰু বহুত নাম

প্ৰকাশেই কৰা নাই। তেনেকুৱা একো সিদ্ধান্তই লোৱা হোৱা নাই, আলোচনাৰ প্ৰক্ৰিয়াতহে আছে। আমি ১২ নৱেম্বৰত এটা সিদ্ধান্ত লম আৰু আমাৰ পেনেলটো ১৪ নৱেম্বৰতহে সিদ্ধান্ত কৰাৰ ধাৰণা আছে। আশা কৰিছো মানুহে যিটো বিযোদগাৰ প্ৰকাশ কৰিছে সেইটো আমাৰ যেতিয়া ১৪ তাৰিখে চূড়ান্ত সিদ্ধান্ত হৈ আহিব তেতিয়াহে পৰিস্ফুট হ'ব। পেনেলত থকা তালিকাখনৰ সন্দৰ্ভত সাংবাদিকে সোধাত সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই কয়, 'তালিকাখন এতিয়াও আমি প্ৰকাশ কৰা নাই। সেইটো আলোচনা হৈ আছিল। অহা ১২ তাৰিখে যিখন সভা আয়োজন কৰিছো তাতহে এইবোৰ কথা আলোচনা হ'ব। আমি আচলতে কোনো মানুহৰ নাম ৰাজহুৱাকে প্ৰকাশ কৰা নাই, সিদ্ধান্ত লোৱা নাই। সিদ্ধান্ত হোৱাৰ পাছতহে প্ৰকাশ হ'ব।' সভাপতিগৰাকীয়ে অসমবাসী ৰাইজক আহ্বান জনায় কয় যে অসম সাহিত্য সভাৰ আগন্তুক দুটা বৰ্ষৰ বাবে কেনে ব্যক্তি হ'লে ভাল হয় আমাক দিহা-পৰামৰ্শ আগবঢ়াব। আমি এজন, দুজন ব্যক্তি নহয়, পাঁচজনৰ নাম তালিকাত প্ৰকাশ কৰিব বিচাৰিছো। ইয়াৰ উপৰিও আৰু কেইজনমানৰ নাম ৰাখিব বিচাৰিছো। কিয়নো কোনোবাই যদি এই তালিকাৰ পৰা নাম উঠাই লয় তেতিয়া তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা কৰা হৈছে। অসমবাসী ৰাইজলৈ আহ্বান জনায় কয় যে যোগ্য বুলি ভবা ব্যক্তিজনৰ নামটো যদি জনাই দিয়ে তেনেদৰে বিভিন্নজনৰ পৰা বিভিন্ন নাম আহিব, তেতিয়া সেইসমূহ নামৰ পৰা বিবেচনা কৰিবলৈ আমাৰ সুবিধা হয়। একমাত্ৰ প্ৰধান উদ্দেশ্যটো হৈছে অসম সাহিত্য সভাত যোগ্যজনৰ প্ৰৱেশ ঘটিব লাগে। উল্লেখ্য যে উচ্চস্তৰীয় সমিতিৰ দুজন ব্যক্তিয়ে নিজৰ নাম সভাপতিৰ বাবে অনুমোদন কৰা বুলি পোহৰলৈ অহাত বিষয়টোক লৈ বিতৰ্ক অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিএম সুখুৰে ছিঙৰা নাপালে, গৰম

মহল। মুখ্যমন্ত্ৰীৰ বাবে বিলাসী হোটেলৰ পৰা অৰ্ডাৰ কৰা ছিঙৰা আৰু কেক কৰ্মচাৰীয়ে খোৱাক লৈ সূত্ৰপাত ঘটা এই বিতৰ্কৰ এতিয়া তদন্ত আৰম্ভ কৰিছে চি আই ডিয়ে। মুখ্যমন্ত্ৰীৰ বাবে নিৰ্ধাৰিত খাদ্য কেনেকৈ আন কৰ্মচাৰীৰ পেটত সোমাল সেই বিষয়ে আৰম্ভ কৰা হৈছে তদন্ত। দৰাচলতে, ২১ অক্টোবৰত চিআইডিৰ মুখ্য কাৰ্যালয়ত নতুন চাইবাৰ ছিকিউৰিটি এণ্ড ফাইনেন্সিয়েল ফ্ৰড ৰিপ'ৰ্টিং চিষ্টেম (চিএফচিআৰএমএছ) ষ্টেচন উদ্বোধন অনুষ্ঠানত উপস্থিত থাকে হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু। এই অনুষ্ঠানত উপস্থিত থকা মুখ্যমন্ত্ৰীগৰাকীৰ বাবে বিশেষ খাদ্য হিচাপে চিঙৰা আৰু কেকৰ ব্যৱস্থা কৰা হয়। অৱশ্যে এই খাদ্য মুখ্যমন্ত্ৰীৰ ওচৰ পোৱাৰ পৰিবৰ্তে চি আই ডিৰ মুখ্য কাৰ্যালয়ৰ কৰ্মচাৰীৰ পৰিৱেশন কৰা হয়। চি আই ডিৰ তদন্ত অনুসৰি, চিমলাৰ লক্কাৰ বজাৰস্থিত এখন পঞ্চ তাৰকাযুক্ত হোটেলৰ পৰা মুখ্যমন্ত্ৰীৰ বাবে অনা হৈছিল এই বিশেষ খাদ্য। ইফালে, তদন্তত এই খাদ্য অন্য কৰ্মচাৰীক পৰিৱেশন কৰা বিষয়ত চি আই ডিৰ মুখ্য কাৰ্যালয়ৰ বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰী আৰু বিষয়া জড়িত থকাৰ কথা পোহৰলৈ আহিছে। জানিব পৰা মতে, কাৰ্যালয়টোৰ এজন পৰিদৰ্শকে এই খাদ্যসমূহ তেওঁৰ উৰ্ধতন বিষয়াৰ কোঠাত ৰাখিবলৈ নিৰ্দেশ দিছিল, আৰু তাৰ পিছতে সেয়া কৰ্মচাৰীসকলৰ মাজত বিতৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ বাবে বিশেষভাৱে অনা খাদ্য অন্য কৰ্মচাৰীক দিয়া বিষয়টো ভুল বুজাবুজিৰ ফলত হোৱা বুলি তদন্তত পোহৰলৈ আহিছে। কিন্তু এই সমগ্ৰ ঘটনাক লৈ বিতৰ্কৰ সূত্ৰপাত হোৱাৰ পিছতে মুখ্যমন্ত্ৰী সুখুক সমালোচনাৰ বাণেৰে বিদ্ধ কৰাত নামি পৰিছে ৰাজ্যখনৰ বিৰোধী দলসমূহ। এই ঘটনাক সমালোচনা কৰে বিজেপি নেতা তথা হিমাচল প্ৰদেশৰ বিৰোধী দলপতি জয়ৰাম ঠাকুৰ আৰু বিজেপি নেতা সতপল সিং সত্তীয়ে। ঠাকুৰে কয় যে চৰকাৰে এনে সৰু সৰু বিষয়ৰ তদন্ত আৰম্ভ কৰি গুৰুত্বপূৰ্ণ বিষয়ৰ পৰা মানুহৰ দৃষ্টি আঁতৰাব বিচাৰিছে। বিজেপি নেতা সত্তীয়ে কয়, "চিঙৰা বিতৰ্কৰ তদন্ত চলোৱাৰ দৰে চৰকাৰে এনে এটা তুচ্ছ বিষয়ত গুৰুত্ব দিয়াটো হাস্যকৰ।" ইফালে এই ঘটনা সন্দৰ্ভত চি আই ডিৰ মুৰব্বীগৰাকীয়ে কয় যে তদন্ত পোনপটীয়াকৈ আৰক্ষী মুখ্য কাৰ্যালয়ৰ দ্বাৰা কৰা হোৱা নাই, বৰঞ্চ চি আই ডিয়ে নিজেই বিষয়টো চোৰা-চিতা কৰিছে। চি আই ডিৰ মুৰব্বীগৰাকীয়ে কয় যে এনে কাণ্ড চৰকাৰৰ বাবে সন্মানজনক নহয়, আৰু আমি এই কাণ্ডৰ সমাধান ক্ষিপ্ৰতাৰে বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছো। লক্ষণীয় যে, মুখ্যমন্ত্ৰী সুখুৰ এই চিঙৰা বিতৰ্কক লৈ চৰ্চা আৰম্ভ হৈছে সামাজিক আৰু ৰাজনৈতিক মহলতো। এনে এক সাধাৰণ বিষয়ক লৈ চি আই ডিয়ে আৰম্ভ কৰা তদন্তক লৈও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিভিন্নজনে। বিষয়টোক মুখ্যমন্ত্ৰীৰ নিৰাপত্তাজনিত দিশটোৰেও বিশ্লেষণ কৰা হৈছে।

# আগমনিৰ বেলগুৰিত মালিকৰ কন্যাক অপহৰণ মিস্ত্ৰীৰ

**ই-সংবাদ, গোলকগঞ্জ, ৮ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বেলগুৰি দ্বিতীয় খণ্ড গাঁৱত যোৱা ছয় নৱেম্বৰৰ সন্ধিয়া ঘৰত মিস্ত্ৰী কাম কৰা যুৱকে ঘৰখনৰ এগৰাকী যুৱতীক অপহৰণ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ৰতিয়াদহ প্ৰথম খণ্ড গাঁৱৰ সুৰেশ ৰায়ৰ পুত্ৰ সুশান্ত ৰায় কিছুদিনৰ পৰা ঘৰখনত ৰাজমিস্ত্ৰীৰ কাম কৰি আছিল। বুধবাৰে সন্ধিয়া হঠাতে ঘৰখনৰ পৰা যুৱতীগৰাকী অন্তৰ্ধান হয়। খবৰ লৈ জানিব পাৰে যুৱতীগৰাকী সুশান্ত ৰায়ৰ লগত পলায়ন কৰা বুলি। ওচৰ পাজৰৰ বজাৰ, বাছ ষ্টেণ্ড, ৰে'ল ষ্টেচন সকলোতে দুয়োকে বিচাৰি ফুৰিও কোনো সন্ধান নাপায়। উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে আগমনি থানাত সুশান্তৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও এতিয়ালৈ কোনো খা-খবৰ উলিয়াব সক্ষম হোৱা নাই।

# ৰঙিয়াৰ তৰণীত ৰাস মহোৎসৱৰ ব্যাপক আয়োজন

**ই-সংবাদ, ৰঙিয়া, ৮ নৱেম্বৰঃ** ৰঙিয়াৰ তৰণীস্থিত হৰিমন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী কৃষ্ণৰ বাৰোৱাৰী ৰাস মহোৎসৱ অহা ১৫ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ৰাস মহোৎসৱ পৰিচালনা কৰাৰ উদ্দেশ্যে ইতিমধ্যে বিনোদ কুমাৰ শৰ্মাক সভাপতি, সনাতন কলিতাক কাৰ্যকৰী সভাপতি, তৰুণ কলিতা আৰু ৰজনী মহন্তক উপ-সভাপতি, নৰেন তালুকদাৰক কোষাধ্যক্ষ, বলেন শীলক সাধাৰণ সম্পাদক, পৰেশ কলিতা, মুকুন্দ ৰাজবংশী, কিশোৰ কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা ধৰ্মধ্বজা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব উদযাপন সমিতিৰ সভাপতি বিনোদ কুমাৰ শৰ্মাই। স্মৃতি তৰ্পণ কৰিব কাৰ্যকৰী সভাপতি সনাতন কলিতাই। কাৰ্যালয় উদ্বোধন কৰিব অখিলানন্দ ভট্টাচাৰ্যই। নিশা মুখ্যদ্বাৰ উদঘাটন কৰিব স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই। মন্দিৰৰ দ্বাৰ মুকলি কৰিব সাংসদ দিলীপ শইকীয়াই। বন্তি প্ৰজ্বলন কৰিব ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, পৌৰপতি অমৰেন্দ্ৰ লহকৰ, বিশিষ্ট ব্যৱসায়ী দিগন্ত কলিতা আৰু প্ৰমোদ হাৰলালকাই। প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিব ভাৰত-ভূটান মৈত্ৰী সন্থাৰ উপ-সভাপতি গুপ চোনাম ডুকপাই। আনহাতে, কাশীপ্ৰসাদ শৰ্মা আৰু ধৰণীধৰ ভূঞা সোঁৱৰণী বাণিজ্য মেলাৰ দ্বাৰ উদঘাটন কৰিব ক্ৰমে প্ৰাক্তন বিধায়ক অনন্ত ডেকা আৰু সমাজকৰ্মী মোমাত কলিতাই। মহোৎসৱৰ অন্যান্য মুখ্য কাৰ্যসূচীৰ ভিতৰত আছে ১৭ নৱেম্বৰত সিংহাসন নাট্যদলৰ নাট প্ৰদৰ্শন, ১৮ নৱেম্বৰত দিহানাম প্ৰতিযোগিতা, ১৯, ২৪ আৰু ২৫ নৱেম্বৰত সাংস্কৃতিক সন্ধিয়া। উল্লেখ্য যে ১৯ নৱেম্বৰত স্থানীয় শিল্পীসকলে আৰু ২৪ নৱেম্বৰত তৰালী শৰ্মা আৰু পশ্চিমবংগৰ জনপ্ৰিয় কণ্ঠশিল্পী মৰ্মিতা মিত্ৰই গীত পৰিৱেশন কৰিব। অহা ২১ নৱেম্বৰত সদৌ অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আনহাতে, ২৫ নৱেম্বৰত বলিউডৰ জনপ্ৰিয় কণ্ঠশিল্পী পৱনদ্বীপ ৰাজনে সংগীতানুষ্ঠান পৰিৱেশন কৰিব। দিহানাম প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১০ হাজাৰ, ৭ হাজাৰ আৰু ৫ হাজাৰ টকা। আনহাতে, আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১৫ হাজাৰ, ১০ হাজাৰ আৰু ৭ হাজাৰ টকা নগদ ধন প্ৰদান কৰা হ'ব। অংশগ্ৰহণৰ বাবে আগ্ৰহীসকলে ৭০০২৮-৫৫২৭৯ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ কৰা প্ৰয়োজন যে, ৰঙিয়াৰ এই ৰাসলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা বহু দৰ্শকৰ সমাগম হয়।

## ৫০ সহস্ৰাধিক পৰিয়াল বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত!

# চৰকাৰৰ প্ৰতিবেদনতেই প্ৰতিফলিত জল জীৱন মিছনৰ ৰূপায়ণৰ চূড়ান্ত ব্যৰ্থতা

**ই-সংবাদ, মৰিগাঁও, ৮ নৱেম্বৰঃ** অসম চৰকাৰে নিজে প্ৰকাশ কৰা এক প্ৰতিবেদনত মৰিগাঁও জিলাত কেন্দ্ৰীয় চৰকাৰৰ তথাকথিত অভিলাষী আঁচনি "জল জীৱন মিছন" ৰূপায়ণৰ চূড়ান্ত ব্যৰ্থতা প্ৰকাশ পোৱাত জিলাখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্বয়ং ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে "অসমৰ নৱজাগৰণঃ ৰূপান্তৰৰ এক যাত্ৰা" শীৰ্ষক পুস্তিকাত প্ৰকাশ কৰা খতিয়ানত জলজীৱন মিছন নামৰ আঁচনিখন ৰূপায়ণত মৰিগাঁও জিলাৰ স্থান হৈছে ৩২ সংখ্যক। চৰকাৰী পুস্তিকাখনত প্ৰকাশ কৰা তথ্য অনুসৰি জলজীৱন মিছন আঁচনি ৰূপায়ণত ৰাজ্যৰ ৩৪ খন জিলাৰ ভিতৰত নিম্নতম স্থান দখল কৰা তিনিখন জিলাৰ ভিতৰত আছে মৰিগাঁও জিলা। নিম্নতম সফলতাৰে কাৰ্বি-আংলং আৰু পশ্চিম কাৰ্বিআংলং জিলাৰ পিছতেই স্থান লাভ কৰা মৰিগাঁও জিলাৰ সফলতাৰ হাৰ পুতৌ লগাকৈ মাথোঁ ৫৯ শতাংশ। আনহাতে, উত্থাপিত অভিযোগ অনুসৰি, এই ক্ষুদ্ৰতম সফলতাও আকৌ বিভাগীয় ফাইলত আবদ্ধ হোৱা সফলতাহে। প্ৰকৃতাৰ্থত মৰিগাঁও জিলাত প্ৰহসনত পৰিণত হৈছে মানুহৰ ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগানৰ কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনিখন। মৰিগাঁও জিলাত সিংহভাগ আঁচনিয়েই অসম্পূৰ্ণ। যাৰ ফলত জিলাখনত ঘৰে ঘৰে জল নল পোৱাটো দূৰৈৰ কথা গাঁৱে গাঁৱে নল গৈয়ো পোৱা নাই। উল্লেখ্য যে মৰিগাঁও জিলাত জলজীৱন মিচনৰ অধীনত ২,৩১,৫১৫ টা গ্ৰাম্য পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু চৰকাৰী তথ্যত ১,৩৬,১৬৮ টা পৰিয়ালক যোগান ধৰিবলৈ সক্ষম বুলি সফলতা জাহিৰ কৰিলেও সম্প্ৰতি উক্ত তথ্যৰ বিসংগতি পোহৰলৈ অহাত বৰ্তমান জিলাখনৰ পঞ্চাশ হাজাৰটা পৰিয়ালে বিশুদ্ধ পানী সেৱন কৰিবলৈ সক্ষম হৈছে নে নাই সেইয়া এক বিচাৰ্য বিষয় হৈ পৰিছে। উল্লেখ্য যে মৰিগাঁও জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত চলি থকা জলজীৱন আঁচনিখনৰ ৰূপায়ণত লেহেমীয়া অগ্ৰগতিত ক্ষুব্ধ হৈ পৰা মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই যোৱা জুন মাহতে কঠোৰ সকীয়নি প্ৰদান কৰি উক্ত ঠিকাদাৰসকলক দায়িত্বশীল নাগৰিকৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনোৱা লগতে সময়মতে কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম নোহোৱা ঠিকাদাৰৰ লগতে তদাৰকী বিষয়া-অভিযন্তাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰিছিল। যোৱা ৬ জুনত জিলা আয়ুক্তগৰাকীয়ে মৰিগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-অভিযন্তা আৰু ঠিকাদাৰৰ উপস্থিতিত পুনৰীক্ষণ সভা অনুষ্ঠিত কৰি জিলাখনত জলজীৱন অভিযানৰ অধীনত ঘৰে ঘৰে নলযোগে পানী যোগানৰ আঁচনিসমূহ ২০ জুনৰ সময়সীমা নিৰ্ধাৰণ কৰি সম্পূৰ্ণ কৰিবলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছিল। উক্ত নিৰ্ধাৰিত সময়ৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰিব নোৱাৰিলে তেনে ঠিকাদাৰৰ কামৰ আদেশ বাতিল কৰাৰ লগতে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও সকীয়নি প্ৰদান কৰিছিল। কিন্তু মৰিগাঁও জিলা আয়ুক্তগৰাকীৰ এই হুংকাৰক অসাৰ প্ৰতিপন্ন কৰি ২০ জুনতো বাদেই বৰ্তমান নৱেম্বৰ মাহতো মৰিগাঁও জিলাত জলজীৱন আঁচনিৰ কাম বিশেষ অগ্ৰগতি পৰিলক্ষিত নহ'ল, লাভ নকৰিলে মৰিগাঁও জিলাৰ প্ৰতিটো গ্ৰাম্য পৰিয়ালে জলজীৱন মিছনৰ বিশুদ্ধ খোৱাপানী। ইয়াকে লৈ জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ভূত বাংলো হ'ল ৰামদিয়া পশু চিকিৎসালয়

**ই-সংবাদ, হাজো, ৮ নৱেম্বৰঃ** অসম চৰকাৰৰ পশুপালন বিভাগৰ চূড়ান্ত হেমাহি আৰু অমনোযোগিতাৰ বাবে ভূত বাংলালৈ ৰূপান্তৰিত হৈছে ৰামদিয়াৰ একমাত্ৰ পশু চিকিৎসালয় বিস্তৃত গো উন্নয়ন আঁচনি, ৰামদিয়া উপকেন্দ্ৰ। কামৰূপ জিলাৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ একমাত্ৰ পশু চিকিৎসালয়খনৰ এই জৰাজীৰ্ণ অৱস্থাই চিন্তাত পেলাইছে অঞ্চলটোৰ শ শ পশু পালকক। উল্লেখ্য যে ৰামদিয়াৰ অধিক সংখ্যক লোকেই কৃষি কৰ্মৰ লগতে গো-পালন, গাহৰি পালন, ছাগলী পালনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। পশু পালন কৰিয়েই নিজৰ পৰিয়াল পোহপাল দি আহিছে এই কৃষকসকলে। কিন্তু অতি পৰিতাপৰ বিষয় এয়েই যে বৃহত্তৰ ৰামদিয়া অঞ্চলৰ একমাত্ৰ পশু চিকিৎসালয়খন বৰ্তমান সময়ত পৰ্যবেসিত হৈছে এটা ভূত বাংলালৈ। যাৰ ফলত এতিয়া সামান্য বেমাৰত পৰাৰ পিছতে পশুৰ লগতে নাজল-নাথল অৱস্থা হয় পশু পালকসকলৰ। অসম চৰকাৰৰ কথা আৰু কামৰ মাজত থকা আকাশ-পাতাল পাৰ্থক্যৰ ছবি স্পষ্ট হৈছে ৰামদিয়াৰ এই পশু চিকিৎসালয়খনত। চিকিৎসালয়খনত পশু চিকিৎসা কৰা কোঠালী দূৰৈৰ কথা ডাক্তৰ বহিবলৈ নাই এখন টেবুল, চকী, পৰ্যাপ্ত পৰিমাণৰ চিকিৎসা সঁজুলি। মুঠৰ ওপৰত 'আছে গৰু নাবাই হাল, থকাতকৈ নথকাই ভাল' লেখিয়া হৈছে চিকিৎসালয়খনৰ অৱস্থা। অঞ্চলটোৰ পশুপালকসকলে স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াক কেইবাবাৰো আবেদন নিবেদন কৰিও নাপালে কোনো সুফল। সেয়েহে ক্ষুব্ধ পশু পালকসকলে অনতি পলমে পশু চিকিৎসা কেন্দ্ৰটো মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ উপৰি নিয়মিত চিকিৎসকৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# সৰবৰহী ধৰ্মপ্ৰাণা মহিলা ইৰা হাজৰিকাৰ দেহাৱসান

**ই-সংবাদ, বেবেজীয়া, ৮ নৱেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ব্ৰাহ্মণগাঁও চাৰিআলিৰ সমীপৰ ফুলনিআটি গাঁৱৰ নিবাসী সৰবৰহী ধৰ্মপ্ৰাণা মহিলা ইৰা হাজৰিকাৰ শুকুৰবাৰে পৰলোকপ্ৰাপ্তি ঘটে । পুৱাৰ ভাগত হঠাতে শাৰীৰিকভাৱে অসুস্থ হৈ পৰাত ইৰা হাজৰিকাক লগে লগে পৰিয়ালৰ লোকে নগাঁও চহৰৰ চিকিৎসালয়লৈ নিয়ে যদিও আদবাটতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৪ বছৰ । সৎ, অমায়িক, মৃদুভাষী আৰু সৰল মনা মহিলাগৰাকীৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে । তেওঁৰ মৃত্যুত প্ৰেছ ক্লাব, বেবেজীয়া, সান্নিধ্য, শ্বাইনছ প্লেয়াৰ্ছ, সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতি, নগাঁও জিলা খো খো সন্থা, জাজৰি প্ৰেছ ক্লাব, জংগম গোষ্ঠী, চকলাঘাট আঞ্চলিক ক্ৰীড়া সন্থা আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে । মৃত্যুৰ সময়ত দুজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি থৈ যায় ।



চামগুৰিত মুখ্যমন্ত্ৰী, ফটো বৃহস্পতিবাৰৰ




মৰিগাঁও জিলাৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাষা গৌৰৱ সপ্তাহ পালন, ফটোঃ ই-সংবাদ, লাহৰীঘাট

## ৰামদিয়া থানাত দাখিল এজাহাৰ ভুক্তভোগীৰ

# হাজোত খিলঞ্জীয়া খেতিয়কক চোকা অস্ত্ৰৰে আক্ৰমণ মিঞা দুৰ্বৃত্তৰ!

**ই-সংবাদ, ৮ নৱেম্বৰ, হাজোঃ** পুনৰ খিলঞ্জীয়াৰ ওপৰত একাংশ বিশেষ সম্প্ৰদায় লোকৰ বৰ্বৰোচিত আক্ৰমণ। চোকা অস্ত্ৰৰে আক্ৰমণ কৰি মুৰ ফালিলে খিলঞ্জীয়া গো-পালকৰ। এইবাৰ ঘটনাৰ স্থান হাজোৰ দোকনীয়া খালেকমাৰাৰ চৰ। ঘটনাৰ বিৱৰণী অনুসৰি হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰহাৰদিয়াৰ ৰামেশ্বৰ কলিতাই নিজৰ কৃষি ভূমিত থকা কলপাত কটাত বাধা প্ৰদান কৰাৰ বাবে চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰে এদল সন্দেহজনক লোকে। ভুক্তভোগী ৰামেশ্বৰ কলিতাই জানিবলৈ দিয়া মতে পূৰ্বৰ পৰাই কেইজনমান অখিলঞ্জীয়া বিশেষ সম্প্ৰদায়ৰ লোকে কলিতাৰ গো-পাম আৰু খেতিপথাৰত ভয়-ভাবুকিৰে বিভিন্ন ধৰণৰ অত্যাচাৰ চলাই আহিছিল। আজিও খেতিপথাৰত কাম কৰি থকা সময়ত কেইজনমান ল'ৰাই কলিতাৰ পামত কলপাত কাটিবলৈ লোৱাত কলিতাই বাধা প্ৰদান কৰি খেদি পঠিয়াই। তাৰপিছত সেয়াই যেন অপৰাধ হ'ল ভুক্তভোগী ৰামেশ্বৰ কলিতাৰ। যুৱককেইজনে এই ভয়ংকৰ ঘটনাৰ মূল অভিযুক্ত জাকিৰ আলী আৰু তেওঁৰ লগৰীয়া দুই দুৰ্বৃত্তক মাতি আনি অতি নিৰ্মমভাৱে প্ৰহাৰ কৰে ৰামেশ্বৰ কলিতাক। ইমানতে ক্ষান্ত নাথাকি অভিযুক্ত জাকিৰ আলীয়ে চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰাৰ উপৰি প্ৰাণে মৰাৰ ভাবুকি দিয়ে ভুক্তভোগী ৰামেশ্বৰ কলিতাক। উপায়ন্তৰ হৈ প্ৰাণৰ মায়াত ৰামেশ্বৰ কলিতা আৰু তেওঁৰ পৰিয়ালে ৰামদিয়া থানাত দাখিল কৰিছে এখন এজাহাৰ। তেওঁলোকৰ এজাহাৰৰ ভিত্তিত ৰামদিয়া আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত প্ৰক্ৰিয়া। কিন্তু খিলঞ্জীয়াৰ কৃষিভূমিত আহি খিলঞ্জীয়া লোকক এইদৰে তেজেৰে ৰাঙলী কৰা এইসকল দুৰ্বৃত্তক প্ৰসাশনে কি শাস্তি প্ৰদান কৰে সেয়া সময়তহে লক্ষণীয় হ'ব।

# পুলক চেতিয়া তিনিচুকীয়া পৌৰসভাৰ নতুন পৌৰপতি

**ই-সংবাদ, ডুমডুমা, ৮ নৱেম্বৰ :** ১৫ টা ৱাৰ্ডবিশিষ্ট তিনিচুকীয়া পৌৰসভাৰ দীৰ্ঘদিনীয়া অচলাৱস্থাৰ অন্ত পেলাই আজি পুনৰ গঠন হ'ল। পৌৰসভাখনৰ এটা কাৰ্যকালত তৃতীয় বাৰলৈ পৌৰপতি হিচাপে নিৰ্বাচিত হ'ল পুলক চেতিয়া। ফলত এক প্ৰকাৰৰ অন্ত পৰিল পৌৰ সভাখনৰ অচলাৱস্থাৰ। পৌৰসভাৰ নিৰ্বাচনত ১৫ টা ৱাৰ্ডৰ ভিতৰত ১৩ টাতেই বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছিল। ইয়াৰে এটা ৱাৰ্ডত আম আদমী পাৰ্টিৰ প্ৰাৰ্থীয়ে জয়ী হোৱাৰ বিপৰীতে আনটো ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হ'বলৈ সক্ষম হৈছিল যদিওঁ পৰৱৰ্তী সময়ত উক্ত দুয়ো গৰাকী প্ৰাৰ্থীয়ে বিজেপি দলত যোগদান কৰাত পৌৰসভাখন সম্পূৰ্ণ বিজেপিৰ অধীন হৈ পৰে। জয়ন্ত বৰুৱাক সৰ্বসন্মতিক্ৰমে পৌৰপতি হিচাপে বাচনি কৰি তেওঁৰ নেতৃত্বত পৌৰসভাখন গঠন কৰা হ'য় যদিওঁ মাত্ৰ ৮ মাহৰ পিছতে পদত্যাগ কৰিবলগীয়া হোৱাত ২ নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ পৱিত্ৰ গগৈ তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি হিচাপে নিৰ্বাচিত হ'য়। কিন্তু যোৱা ১৪ অক্টোবৰত ১০ গৰাকী ৱাৰ্ড কমিছনাৰ ক্ৰমে- অশোক কুমাৰ আগৰৱালা, বাবুল সেন, মমতা কালোৱাৰ, ধীৰাজ সিং, পায়েল শৰ্মা, পুলক চেতিয়া, তৰুণ প্ৰতাপ সিং, পুষ্প সিং, প্ৰদীপ দাস আৰু ইন্দ্ৰ ৰয়ে পৌৰপতি পৱিত্ৰ গগৈৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাৰ পাছৰে পৰা পৌৰসভাখনত একপ্ৰকাৰ আচলাৱস্থাই বিৰাজ কৰে। স্থবিৰ হৈ পৰে উন্নয়ন। নিয়ম অনুসৰি পৌৰপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপনৰ পাছত জিলা আয়ুক্তই এক পত্ৰযোগে পৌৰপতি পৱিত্ৰ গগৈক নিজৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিবলৈ ২০ দিনৰ সময়সীমা বান্ধি দিয়ে যদিওঁ পৌৰপতি পৱিত্ৰ গগৈয়ে সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব নোৱাৰাত ৭ নৱেম্বৰৰ দিনৰ ১১ বজাত জিলা আয়ুক্তৰ ওচৰত তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পদৰ পৰা পদত্যাগ কৰে।

# হোজাই যোগান বিভাগত নতুন ৰেচন কাৰ্ডৰ নামত এজেণ্টৰ দুৰ্নীতি

**ই-সংবাদ, মোৰাঝাৰ, ৮ নৱেম্বৰঃ** হোজাই জিলা খাদ্য গ্ৰাহক বিতৰণ অসামৰিক যোগান বিভাগত নতুন ৰেচন কাৰ্ডৰ নামত ভয়ংকৰ অনিয়ম সংঘটিত হোৱাৰ অভিযোগ পোহৰলৈ আহিছে। একাংশ সমবায় সমিতিৰ সভাপতি আৰু এজেণ্টৰ বিৰুদ্ধে এই দুৰ্নীতিৰ অভিযোগ উঠাৰ পিছতো ৰহস্যজনকভাবে নীৰৱ জিলা যোগান বিভাগ। বিভাগটোৰ বৰমূৰীয়াৰ ৰহস্যজনক ভূমিকাৰ সুযোগ লৈ ৰেচন কাৰ্ডৰ দালালিত নামিছে খোদ সমবায় সমিতিৰ সভাপতি। অভিযোগ অনুসৰি কঁপাহবাৰী সমবায় সমিতিৰ সভাপতি আছাদুৰ ৰহমানে নিজ ঘৰতে একাংশ হিতাধিকাৰীক মতাই আনি ধন সংগ্ৰহ কৰি গৈছে। নিজে সমবায়ৰ সভাপতি হোৱাৰ সুবাদতে নতুন ৰেচন কাৰ্ডৰ নামত দৰিদ্ৰ হিতাধিকাৰীৰ পৰা তিনি চাৰি হাজাৰ টকাকৈ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। দৰিদ্ৰ ৰাইজৰ পৰা ধন লোৱা সভাপতি আছাদুৰ বিৰুদ্ধে তদন্তৰ দাবী জনাইছে ৰাইজে। ইফালে বৰবালি চামৰালি সমবায় সমিতিৰ অধীনস্থ অকচেক গাঁৱৰ এজেণ্ট আব্দুল ৰাহিদ আৰু তেওঁৰ পুত্ৰই মিলি লুণ্ঠন চলাই গৈছে। জিলা আয়ুক্তকো ৰাইজে লিখিত অভিযোগ দিয়ে। নতুন ৰেচন কাৰ্ড প্ৰদানৰ নামত পাঁচ হাজাৰ টকাকৈ সংগ্ৰহ কৰা বুলি এজেণ্ট আব্দুল ৰাহিদৰ বিৰুদ্ধে অভিযোগ উঠিছে। হোজাইৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে যদিও এজেণ্টজনক ৰক্ষণাবেক্ষণ দিবলৈ বিভাগীয় পৰিদৰ্শক সত্যজিৎ সভাপণ্ডিতে প্ৰচেষ্টা চলোৱাৰো অভিযোগ উঠিছে। এই ক্ষেত্ৰত যোগান বিভাগৰ এ ডি এছ পৰমেশ্বৰ ভট্টাচাৰ্জীৰ ভূমিকাকো ৰাইজে সমালোচনা কৰিছে।



বিশ্বনাথৰ বালিচাঙত আয়োজিত ষট পূজাৰ এটি দৃশ্য, ফটোঃ ই-সংবাদ, বিশ্বনাথ

# ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ বয়োজ্যেষ্ঠ নাগৰিকৰ সম্বৰ্ধনা

**ই-সংবাদ, গুৱাহাটী, ৮ নৱেম্বৰঃ** চাৰিকুৰি বয়সৰ উৰ্ধৰ বয়োজ্যেষ্ঠ নাগৰিকসকলক জন্মদিনত ওলগ জনোৱা কাৰ্যসূচীৰ অংশৰূপে আজি বৃহত্তৰ ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী অঞ্চলৰ জ্যেষ্ঠ নাগৰিকসকলক লৈ গঠিত ‘ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থা’ৰ এক প্ৰতিনিধি দলে সংস্থাৰ বয়োজ্যেষ্ঠ সদস্য বিৰুবাৰী নিজৰাপাৰ নিবাসী দধিৰাম ব্ৰহ্মৰ ৯৭ সংখ্যক জন্মদিনত তেখেতৰ ঘৰলৈ গৈ জন্মদিনৰ ওলগ আৰু শুভেচ্ছা জনায়। জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰীৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক দধিৰাম ব্ৰহ্মক জন্মদিনৰ ওলগ জনাই এখন মানপত্ৰ, ফুলাম গামোচা, ফুলৰ তোৰা আৰু প্ৰীতি উপহাৰ যাঁচি তেখেতৰ সু-স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰে। সভাপতিৰ সৈতে আজিৰ এই প্ৰতিনিধি দলটোত আছিল সংস্থাৰ সম্পাদক কন্দৰ্প কুমাৰ নাথ, সহঃ সম্পাদক লক্ষেশ্বৰ পাঠক, সাংগঠনিক সম্পাদকদ্বয় সুৰেন্দ্ৰ নাথ ডেকা আৰু ডিম্বেশ্বৰ ভূঞা, কোষাধ্যক্ষ উমেশ চন্দ্ৰ দত্ত আৰু সদস্য ক্ৰমে দীনেশ চন্দ্ৰ দেৱ লক্ষী স্বৰ্গীয়াৰী আৰু সুশীলা বড়ো। বৰ্তমান ব্যস্ত বস্তুবাদী আৰু ভোগবাদী সমাজ জীৱনত য'ত বয়োজ্যেষ্ঠসকল একপ্ৰকাৰ অৱহেলিত অৱস্থাত আছে, এনে সময়ত ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাই বয়োজ্যেষ্ঠ লোকক ঘৰলৈ গৈ খবৰ-খাটি লোৱা আৰু জন্মদিনত ওলগ জনোৱা কাৰ্যক দধিৰাম ব্ৰহ্মই ভূয়সী প্ৰশংসা কৰে আৰু সংস্থাই তেখেতক দিয়া শুভেচ্ছাৰ বাবে ধন্যবাদ জনায়।

# গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভাষা গৌৰৱ সপ্তাহ উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ৮নৱেম্বৰঃ** অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ উপলক্ষে সমগ্ৰ অসমতে ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ সৈতে সংগতি ৰাখি ৩ নৱেম্বৰৰ পৰা মৰিগাঁও জিলা প্ৰশাসনেও গ্ৰহণ কৰিছে বিভিন্ন কাৰ্যসূচী। সেই উপলক্ষে ৬ নৱেম্বৰত মৰিগাঁও জিলাৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত জিলা প্ৰশাসন তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু মৰিগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ তত্বাবধানত আৰু গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত গ্ৰহণ কৰা হয় এলানি দিনজোৰা কাৰ্যসূচী। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ১০ বজাত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনৰ পৰা উলিওৱা হয় এটি বৰ্ণিল শোভাযাত্ৰা। বৰ্ণিল শোভাযাত্ৰাটিত জাতীয় সাজ পাৰ পৰিধান কৰি ডেৰ সহস্ৰাধিক ছাত্ৰ - ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বড়ো, তিৱা, বেংগলী, বিহাৰী, ইছলাম, কোচ ৰাজবংশী, চাহ বাগানীয়া আদি বিভিন্ন জনগোষ্ঠীয় সাজ পাৰ পৰিধান কৰি জনগোষ্ঠীয় গীত মাত নৃত্যৰে শোভাযাত্ৰাকাৰী সকলে জীপাল কৰি তোলে অঞ্চলটোৰ সমগ্ৰ পৰিবেশ। শোভাযাত্ৰা পাছতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হয় চিত্ৰাংকন আৰু ৰংগুলী প্ৰতিযোগিতাৰ লগতে বিভিন্ন সুকুমাৰ কলা প্ৰতিযোগিতা। পৰৱৰ্তী সময়ত অনুষ্ঠিত হয় এখন মুকলি সভা। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই আঁত ধৰা মুকলি সভাখনত মুখ্য অতিথি হিছাবে উপস্থিত থাকে মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) পল্লবী কছাৰী। তদুপৰি নিৰ্দিষ্ট বক্তা হিছাবে উপস্থিত থাকে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, মৰিগাঁও কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক সুবক্তা ড° বুধেন কুমাৰ শইকীয়া, গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বুবু মনি গোস্বামীকে প্ৰমোখ্য কৰি ২০ জনৰো অধিক অতিথিয়ে সভাখনত অংশ গ্ৰহণ কৰি গাম্ভীৰ্যপূৰ্ণ সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত অংশগ্ৰহণ কৰি মুখ্য অতিথি পল্লৱী কছাৰীয়ে কয় - অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিছাবে স্বীকৃতি লাভ কৰাটো অসমৰ বাবে এক অনন্য প্ৰাপ্তি। তদুপৰি তেওঁ কয়, মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা ১৫৬০ খনকৈ চিঠি লাভ কৰিছে । গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাও জিলা প্ৰশাসনে তেনে এখন কৃতজ্ঞতা পত্ৰ লাভ কৰিছে। এই সকলোবোৰ জিলা প্ৰশাসনে প্ৰধানমন্ত্ৰী গৰাকীলৈ প্ৰেৰণ কৰিব।

## আৱন্টিত ধনৰ কেৱল ২০-৩০শতাংশ ধন খৰছ কৰাৰ অভিযোগ

# কপাহবাৰী গাঁও পঞ্চায়তৰ সচিবৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ, ৮ নৱেম্বৰঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত কপাহবাৰী গাঁও পঞ্চায়তত চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধনত ব্যাপক অনিয়ম সংগঠিত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিভিন্ন কামৰ বাবে মঞ্জুৰ হোৱা চৰকাৰী ধন ব্যৱহাৰ কৰাত পঞ্চায়তৰ সচিব ৰফিকুল ইছলামে বহু অনিয়ম আৰু দুৰ্নীতি সংঘটিত কৰি আহিছে। পঞ্চায়তৰ বহু কামৰ প্ৰায় ৩/৪ বছৰ পূৰ্বে আবণ্টিত হোৱা ধন বৰ্তমানো বেংকত জমা হৈ থকা স্বত্বেও বৰ্তমানলৈকে কোনো কাম কৰা নাই। আনহাতে, কিছু কামৰ বাবে আবণ্টন পোৱা ধনৰ কেৱল মাত্ৰ ২০/২৫ শতাংশ ধন খৰচ কৰি নামমাত্ৰ কাম কৰি বাকী টকা আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। আন বহু কামৰ আবণ্টিত সৰ্বমুঠ ধন মোকলাই কোনো ধৰণৰ কাম নকৰাকৈ সম্পূৰ্ণ টকা আত্মসাৎ কৰাৰো অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তৰ নীতি মতে, প্ৰতিটো কাম সূচাৰুৰূপে পৰিচালনা কৰাৰ বাবে স্থানীয় লোকৰ দ্বাৰা এখন কমিটী গঠন কৰা হয় আৰু পঞ্চায়তৰ সচিব কমিটীৰ স্থায়ী সম্পাদক হয়। পিছে সচিব গৰাকীয়ে কমিটিৰ অধ্যক্ষ আৰু সদস্যসকলৰ লগত প্ৰতাৰণা কৰি নানা অজুহাত দেখুৱাই উকা চেকত অধ্যক্ষৰ চহী লয় আৰু পিছত চেকৰ জৰিয়তে চৰকাৰী আঁচনিৰ ধন মোকলাই আত্মসাৎ কৰে। সচিবগৰাকীৰ সৈতে পঞ্চায়তৰ প্ৰাক্তন সভাপতি কবিৰ আহমেদৰ কমিচনৰ বুজাবুজি আছে আৰু একাংশ দালাল প্ৰকৃতিৰ লোকৰ এটা বৃহৎ চক্ৰ আছে আৰু উক্ত চক্ৰটোৰ সহযোগত দীৰ্ঘদিনৰ পৰা সচিবগৰাকীয়ে চৰকাৰী ধনত কমিচনৰাজ চলাই আহিছে বুলি অভিযোগ উঠিছে।১৫ বিত্তীয় বৰ্ষৰ কামৰ আঁচনিবোৰত কোনো গাঁও সভা অনুষ্ঠিত নকৰাকৈ নিজাববীয়াকৈ তালিকা প্ৰস্তুত কৰি বিভাগীয় কৰ্তৃপক্ষৰ পৰা অনুমোদন লাভ কৰাও বুলি অভিযোগ পত্ৰত উল্লেখ কৰে। মুঠতে কপাহবাৰী গাঁও পঞ্চায়তৰ প্ৰতিটো কামৰ বিপৰীতে চৰজমিন তদন্ত কৰাৰ দাবী জনাইছে স্থানীয় সচেতন যুৱক বাহাৰ উদ্দিনে বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰিছে।

## চতিয়া শাখা সাহিত্য সভাৰ উদ্যোগত গ্ৰন্থ উন্মোচনী সভা

# ড০ দিলীপ কুমাৰ ভূঞাৰ দুখন গ্ৰন্থ উন্মোচন

**ই-সংবাদ, চতিয়া, ৮ নৱেম্বৰঃ** চতিয়া শাখা সাহিত্য সভাৰ সৌজন্যত আজি চতিয়া নাট্য ভৱনত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। সভাখনিৰ আঁত ধৰে সমাজকৰ্মী তথা শিক্ষক প্ৰিন্স চামচুল হকে। সভাখনিত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা ইতিহাসবিদ কৰুণানন্দ হাতীবৰুৱাই। প্ৰথমে অকন প্ৰভা ভূঞাৰ "জীৱনৰ বাটত মুকুতা বুটলি" গ্ৰন্থখনি উন্মোচন কৰে সদৌ অসম লেখিকা সমাৰোহৰ প্ৰধান সম্পাদিকা মনোমতী কুৰ্মীয়ে। ইয়াৰ প্ৰাক মুহূৰ্তত গ্ৰন্থখনৰ সংকলনৰ বিষয়ত অকনপ্ৰভা ভূঞাৰ জিয়ৰী আইমনী ভূঞাই কিছু বক্তব্য ৰাখে। নিজৰ ব্যস্ততাৰ মাজতো সভাত উপস্থিত থাকি ন-দুৱাৰৰ বিধায়ক পদ্ম হাজৰিকাই সাৰুৱা বক্তব্য ৰাখে। ইয়াৰ পাছতে ড০ দিলীপ কুমাৰ ভূঞাৰ "জীৱনৰ ছন্দে ছন্দে গীতৰ ঝংকাৰ" নামৰ গ্ৰন্থখন উন্মোচন কৰে ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক তথা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ প্ৰসাদ শইকীয়াই। আনহাতে ড০ দিলীপ কুমাৰ ভূঞাৰ আন এখন গ্ৰন্থ "পোহৰ সিচাঁৰ হেঁপাহ" উন্মোচন কৰে চতিয়া শাখা সাহিত্য সভাৰ সভাপতি ৰমেন বৰাই। সভাখনিত লেখকৰ পৰিয়ালৰ সদস্যই পৰিৱেশন কৰা সমবেত সংগীত আৰু অলকানন্দা ভূঞাৰ গীতে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনলৈ সাংবাদিক ড০ আবু হানিফা স্মাৰক বঁটা

**ই-সংবাদ, মৰিগাঁও, ৮ নৱেম্বৰঃ** মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনলৈ নগাঁৱৰ হয়বৰগাঁও প্ৰেছ ক্লাবে সাংবাদিক ড০ আবু হানিফা স্মাৰক বঁটা আগবঢ়াইছে। নগাঁৱৰ সংবাদ জগতৰ পিতামহ স্বৰূপ ড০ হাবু হানিফাৰ নামত হয়বৰগাঁও প্ৰেছ ক্লাবে যোৱা বছৰৰ পৰা প্ৰৱৰ্তন কৰা এই স্মাৰক বঁটাটো ১৬ নৱেম্বৰত নগাঁৱৰ কমলা দেৱী তোভী ভৱনত অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি হয়বৰগাঁও প্ৰেছ ক্লাবৰ সভাপতি দিব্যজ্যোতি বৰুৱা আৰু সম্পাদক মোস্তাফা কামালে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। উল্লেখ্য যে ড০ আবু হানিফা স্মাৰক বঁটা প্ৰাপক মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন পি টি আই, আকাশবাণী, দূৰদৰ্শন আৰু দ্যা আছাম ট্ৰিবিউন কাকতৰ মৰিগাঁৱৰ সাংবাদিক।

### প্ৰশাসন তথা বন বিভাগক উচিত ব্যৱস্থা ল'বলৈ আহ্বান শংকিত ৰাইজৰ

# নগাঁও জিলাৰ পশ্চিমাঞ্চলত বন্যহস্তীৰ আক্ৰমণত নিহত বয়োজ্যেষ্ঠ মহিলা

**ই-সংবাদ, বেবেজীয়া, ৮ নৱেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তত কিছুদিনৰ পূৰ্বে বাঘে সন্ত্ৰাস সৃষ্টি কৰি যোৱাৰ পিছত এইবাৰ পুনৰ তাণ্ডৱৰ সৃষ্টি কৰিছে এটা প্ৰকাণ্ড বনৰীয়া হাতীয়ে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত হাতী-মানুহৰ সংঘাত বৃদ্ধি পাই অহাৰ সময়তে জিলাখনৰ ধিং অঞ্চলত এনেদৰে বন্যহস্তীটোৰে চলোৱা তাণ্ডৱে ৰাইজক অধিক শংকিত কৰি তুলিছে। জানিব পৰা মতে, লাওখোৱা অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা এই বন্য হস্তীটোৱে ধিং অঞ্চলৰ সোণাৰী গাঁও, চহৰীয়া আৰু ছালনাবড়ি গাঁৱত উপদ্ৰৱ চলাইছে। ফলত ৰাইজৰ মাজত একপ্ৰকাৰ আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে শুকুৰবাৰে পুৱাৰ ভাগত এই বন্যহস্তীটোৰ আক্ৰমণত প্ৰাণহানি হয় এগৰাকী বয়োজ্যেষ্ঠ মহিলাৰ। বন্যহস্তীটোৱে প্ৰাণ কাঢ়ি নিয়া যাঠি ঊৰ্ধ্বৰ এই মহিলাগৰাকী হৈছে চহৰীয়া গাঁৱৰ জাংফালি মহেলা। আচলতে, পুৱা চোতালত বহি মহিলাগৰাকীয়ে চাহ খাই থকা অৱস্থাত অকস্মাৎ হাতীটোৱে চোতালত প্ৰৱেশ কৰাত মহিলাগৰাকীয়ে পলাবলৈ ধৰোঁতেই হাতীটোৱে আক্ৰমণ কৰে। পিছত মহিলাগৰাকীক সংকটজনক অৱস্থাত স্থানীয় চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইফালে, বনৰীয়া হাতীটোৱে সোণাৰী গাঁৱৰ পথাৰত পকা ধানৰ খেতি বিনষ্ট কৰাৰ বিপৰীতে চালনাবড়িত ইক্ৰামুল হুছেইন নামৰ এজন লোকৰ এটি বাসগৃহ ভাঙি তচনচ কৰে বুলি জানিব পৰা গৈছে।

# বেবেজীয়াত কেঞ্চাৰ ৰোগৰ সজাগতা শিবিৰ

**ই-সংবাদ, বেবেজীয়া, ৮ নৱেম্বৰঃ** নগাঁও জিলাৰ বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা ১০ নৱেম্বৰত ড° ভবেন্দ্ৰ নাথ হাজৰিকা-পুষ্পা হাজৰিকা স্মাৰক ন্যাসৰ উদ্যোগত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু কেঞ্চাৰ ৰোগৰ সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে । স্বাস্থ্য শিবিৰটোৰ মুখ্য উদ্যোগতা ডাঃ আকাশী হাজৰিকাই জানিবলৈ দিয়া মতে শিশু ৰোগ বিশেষজ্ঞ, স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু নাক-কাণ-ডিঙি ৰোগৰ বিশেষজ্ঞ চিকিৎসকৰ উপস্থিত থাকিবলগীয়া উক্ত শিবিৰতে ৪০ বছৰৰ ওপৰৰ ৩০ গৰাকী মহিলাক দ্বীপশিখা কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ ফালৰ পৰা স্তন কেঞ্চাৰ চিনাক্তকৰণৰ বাবে বিনামূলীয়াকৈ ব্যয়বহুল মেম'গ্ৰাফী পৰীক্ষা কৰাৰো সুবিধা প্ৰদান কৰা হ'ব । সেয়ে স্বাস্থ্য পৰীক্ষাৰ বাবে ইচ্ছুক লোকসকলক ৬০০০৪-৭৬৮৪৮ ম'বাইল নম্বৰত আগতীয়াকৈ যোগযোগৰ বাবে আহ্বান জনোৱা হৈছে ।

# বিশ্বনাথৰ বালিচাঙত ষঠ পূজা পালন

**ই-সংবাদ, বিশ্বনাথ, ৮নৱেম্বৰঃ** দেশজুৰি ষঠপূজা । অসমৰ বিভিন্ন প্ৰান্তৰ লগতে বালিচাংতো উদযাপন কৰা হয় শ্ৰীশ্ৰীষঠপূজা । আনন্দ উছাহৰ মাজত সদৌ অসম ভোজপুৰী পৰিষদ বালিচাং শাখায়ে আয়োজন কৰা পূজাভাগত বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম হোৱা পৰিলক্ষিত হয় । অসম অৰুণাচল সীমান্তৱৰ্তীৰ বালিচাং নদীৰ ঘাটৰ লগতে পুখুৰীৰ পাৰত অনুষ্ঠিত হোৱা পূজাভাগত বহু ভক্তৰ ভীৰ । সকলোৱে নিজৰ নিজৰ মনোবাঞ্ছা পুৰণৰ বাবে প্ৰাৰ্থনা জনাইছে সুৰ্যদেৱতাক । বিধিমতে পূজা সেৱা কৰা সুৰ্যদেৱতাক সন্তুষ্টিৰ বাবে এক প্ৰকাৰ কঠোৰ ব্ৰত পালন কৰা পূজা সেৱা কৰাৰ সমান্তৰালকৈ কীৰ্তন আদিও হয় । উল্লেখ্য যে নিজৰ লগতে দেশ দহৰ মংগল কামনাৰে হোৱা পূজাভাগে বৃহত্তৰ বালিচাং অঞ্চলত শান্তি সম্প্ৰতি তথা সমন্বয়ৰ এক বাৰ্তা বহন কৰি আহিছে । ইফালে পূজাভাগৰ উপলক্ষ্যত সকলোৱে আনন্দত মতলীয়া হোৱা সাংস্কৃতিক সন্ধাৰো আয়োজন কৰিছে উদ্যোক্তা সকলে ।

# মৰিয়নীৰ ঘোঁৰাচোৱাত ৰাস মহোৎসৱৰ প্ৰস্তুতি

**ই-সংবাদ, মৰিয়নী, ৮ নৱেম্বৰঃ** যোৰহাট জিলাৰ নৱ গঠিত মৰিয়নী সমষ্টিৰ অন্তৰ্গত ঘোঁৰাচোৱাত অহা ১৫ ডিচেম্বৰত ঘোঁৰাচোৱা বিষ্ণুজ্যোতি মইনা পাৰিজাতৰ উদ্যোগত তথা ঘোঁৰাচোৱা, বৰকুৰ আৰু ঔগুৰিবাসী ৰাইজৰ সহযোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৰাস মহোৎসৱ। পুৱা সমূহীয়া চাফাইৰ পাছতেই স্মৃতি তৰ্পণ আৰু পতাকা উত্তোলন কৰিব ক্ৰমে শিক্ষক অমৃত ভূঞা আৰু ৰাস উদযাপন সমিতিৰ সভাপতি অভিজিত শইকীয়া, শিমলুগুৰি মৌজা শাখা মইনা পাৰিজাতৰ সম্পাদক গণেশ বৰা আৰু যোৰহাট জিলা মইনা পাৰিজাতৰ উপ-সভাপতি ঘন লাহনে। পতাকা উত্তোলনৰ পাছতেই অনুষ্ঠিত হ'ব লগা চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰিব সাংবাদিক দ্বীপজ্যোতি শইকীয়াই। দিনৰ বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ অন্তত অনুষ্ঠিত হ'ব লগা সম্বৰ্ধনা অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব জেষ্ঠ সাংবাদিক উৎপল বৰাই আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী। নিশাৰ ভাগলৈ যুৱ অভিনেতা দেৱবিকাশ দত্তৰ পৰিচালনাত তথা নৃত্যশিল্পী ৰঞ্জন দত্তৰ নৃত্য আৰু কণ্ঠশিল্পী নিতু নিয়ৰ আৰু সঞ্জীৱ শইকীয়া বায়নৰ সংগীত পৰিচালনাত অভিনীত হ'ব লগা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলাৰ শুভ উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক ড০ মৃণাল কুমাৰ বৰুৱাই। উল্লেখ্য যে স্থানীয় শিল্পীসকলৰ সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত কৰাৰ লক্ষ্য আগত ৰাখি প্ৰথমবাৰৰ বাবে ৰাসোৎসৱ আৰম্ভ কৰি এই ধাৰা অব্যাহত ৰাখিব বুলি উদযাপন সমিতিৰ স্থায়ী সমিতিৰ সভানেত্ৰী ববিতা বৰা আৰু সম্পাদিকা ৰত্না দেৱী বৰুৱাই জানিবলৈ দিয়ে।

# আন্তঃৰাষ্ট্ৰীয় যোগত ব্ৰঞ্জ জয় জ্যোতিস্মাৰ



**ই-সংবাদ, আমগুৰি, ৮ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে এগৰাকী কণমানি ছাত্ৰীয়ে। উল্লেখ্য যে, নামতি মাইগুৰিৰ নিবাসী মাখন দত্ত আৰু নিতালী দত্তৰ কন্যা জ্যোতিস্মা দত্তই পাঞ্জাৱৰ মাণ্ডী গোবিন্দগড়ৰ দেশ ভগত বিশ্ববিদ্যালয়ৰ প্ৰাংগনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা যোগ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দুটাকৈ ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছে। চতুৰ্থ শ্ৰেণীত অধ্যয়ন কৰি থকা এই গৰাকী কণমানি ছাত্ৰীয়ে বিগত প্ৰায় দুবছৰৰ পৰা ভাস্কৰ গগৈৰ তত্বাৱধানত প্ৰশিক্ষণ লৈ আছে। ছাত্ৰীগৰাকীয়ে বৃহত্তৰ নামতি অঞ্চলৰ লগতে শিৱসাগৰ জিলাখনলৈও গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে। এনে শুভক্ষণত সমগ্ৰ নামতি অঞ্চলৰ লগতে পৰিয়ালৰ মাজত এতিয়া আনন্দ বন্যা বৈছে। কণমানি ছাত্ৰী জ্যোতিস্মা দত্তই পিতৃ-মাতৃৰ সৈতে শুকুৰবাৰে পুৱা জন্মভূমি নামতিত উপস্থিত হোৱা লগে লগে সকলোৱে জনায় উষ্ম আদৰণি। তদুপৰি কণমাণিগাৰকীৰ এই সফলতাত উৎসাহ যুগুৱাৰ উদ্দেশ্যে নামতি আঞ্চলিক ছাত্ৰ সন্থাই ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰাৰ সমান্তৰালভাৱে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু পৰিয়ালৰ জ্যেষ্ঠসকলে ফুলাম গামোচা আৰু ফুলৰ থোপাৰে শুভেচ্ছা আৰু শুভাশীষ জ্ঞাপন কৰে।



তামিলনাডুৰ বিৰুদ্ধে ৰঞ্জি মেচত উইকেট দখলৰ পিছত অসমৰ উল্লাস, গুৱাহাটীত



প্ৰথম টি-২০ত দক্ষিণ আফ্ৰিকাক ৬১ ৰানত হৰুৱাই টীম ইণ্ডিয়াৰ খেলুৱৈৰ উল্লাস, ডাৰবানত শুকুৰবাৰে

## সংবাদ মাধ্যমত চৰ্চাৰ পিছতে মৃতদেহ খান্দি উলিয়ালে প্ৰশাসনে

# পিঠাখোৱা কাণ্ডৰ বলি পাৰুল ডেকাৰ অৱশেষত শেষকৃত্য সম্পন্ন

**ই-সংবাদ , ছিপাঝাৰ , ৮ নৱেম্বৰঃ** ছিপাঝাৰৰ পিঠাখোৱা পাৰাত সৎকাৰ কৰা লোকৰ অভাৱৰ বাবে পৰিয়ালৰ লোকে পুতি থৈ অহা পাৰুল ডেকাৰ অৰ্ধগলিত মৃতদেহ আজি মৰণোত্তৰ পৰীক্ষা আৰু হিন্দু ৰীতি অনুসৰি দাহ সংস্কাৰ কৰিবলৈ প্ৰশাসনে খান্দি উলিয়ায়। উল্লেখ্য যে , সোমবাৰে ইয়াৰ পিঠাখোৱা গাঁৱৰ ষাঠিৰোৰ্ধ অবিবাহিতা মহিলা পাৰুল ডেকাৰ দীৰ্ঘ দিনীয়া অসুস্থতাৰ পিছত নিজ গৃহত মৃত্যু হৈছিল। যথাৰীতি মৃতদেহ সৎকাৰৰ বাবে গাওঁবাসীক পৰিয়ালৰ লোকে খবৰ দিয়া দিছিল যদিও এই ক্ষেত্ৰত চৰম উদাসীনতা প্ৰদৰ্শন কৰি কোনো উপস্থিত নহ'ল মৃতকৰ গৃহত। যাৰবাবে ককায়েক আৰু ভতিজাকে সাঙী কৰি পাৰুল ডেকাৰ মৃতদেহ শ্মশানলৈ নি চুবুৰীয়া চাৰিজন লোকৰ সহায়ত পুতি থৈ আহে। হিন্দু ধৰ্মীয় ৰীতি অনুসৰি মৃতদেহৰ প্ৰতি শেষ কৰ্তব্যখিনিও নকৰা তথা মানৱ সমাজক লজ্জানত কৰা ঘটনাটো প্ৰচাৰ মাধ্যমত প্ৰকাশ হোৱাৰ লগে লগে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগে লগে চাৰিওফালে হাহাঁকাৰ লাগে। ফলত তিনিদিন ধৰি নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰি থকা গাওঁ প্ৰধানজনে প্ৰশাসনক এই বিষয়ে অৱগত কৰে। দৰঙৰ উপায়ুক্ত পৰাগ কুমাৰ কাকতিয়ে বিষয়টোক গুৰুত্ব সহকাৰে লৈ পাৰুল ডেকাৰ মৃতদেহৰ দাহ সংস্কাৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেনে পৰিপ্ৰেক্ষিতত আজি ছিপাঝাৰ আৰক্ষী আৰু চক্ৰ বিষয়াৰ তত্বাৱধানত পাৰুল ডেকাৰ মৃতদেহ খান্দি উলিওৱা হয় আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈলৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ পিছত স্থানীয় প্ৰশাসনৰ উদ্যোগত হিন্দু ৰীতি-নীতি অনুসৰি পাৰুল ডেকাৰ মৃতদেহৰ দাহ সংস্কাৰ সম্পন্ন কৰা হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি